জানুয়ারী ২০০১ Rs. 10/-

চান্দমামা

ORISSA TOURISM

Fortunately, memory doesn't run out of films...



Your camera might.

Because Orissa is such a wealth of sights and experiences, you'll be hard put to capture it all in your camera. You will find plenty to capture your mind though... The sea, that roars and foams somewhere and elsewhere, gleams calmly. The emerald forests that are home to fascinating wildlife. Lush greenery and waterfalls that cling to hills. A past that breathes in stone carved temples. A vibrant culture that finds expression in glittering events like the Konark Festival. Come to Orissa. Here's waiting a new realm of experience. Only, ensure you have enough reels of film...

ORISSA

The soul of India

impact_creative@yahoo.com

For more information contact : Director, Tourism; Paryatan Bhavan; **Bhubaneswar** 751014 Ph. : (0674) 432177, Fax : (0674) 430887, e mail : ortour@dte.vsnl.net.in website : orissa-tourism.com.
Chennai : 42/18, Mount Road, (2nd Floor), Gee Gee Complex, Pin – 600002, Telefax: (044) 834090, **Calcutta :** Utkal Bhavan, 55, Lenin Sarani, Pin : 700013, Ph. : (033) 2443653,
New Delhi : Utkalika, B/4, Baba Kharak Singh Marg, Pin – 110001, Telefax (011) 3364580.

Goswami 10-01-2001

চান্দমামা

বৰ্ষ : ২৮ জানুৱাৰী ২০০১ সংখ্যা - ১

এই সংখ্যাত আছে

কাহিনী

বজ্ৰদেহৰ ভুল (বেতাল কথা) পৃষ্ঠা ০৯
মৃত্যুঞ্জয় পৃষ্ঠা ১৭
নিজৰ লাভ পৃষ্ঠা ৪৭
সমস্যা সমাধান পৃষ্ঠা ৪৮
ভোকৰ দণ্ড পৃষ্ঠা ৫০
গোবিন্দৰ বস্তা পৃষ্ঠা ৫৯
নাক আৰু নাকফুলি পৃষ্ঠা ৬৪

পুৰণি ধাৰাবাহিক

মহাভাৰত- ৫৮ পৃষ্ঠা ৫১

ঐতিহাসিক ঘটনা

ভাৰত কথা পৃষ্ঠা ২২
কুৰি শতিকাৰ ভাৰত পৃষ্ঠা ২৭

চিত্ৰ কথা

পৰোপকাৰী সমীৰ পৃষ্ঠা ৪৩

বিশেষ আলোচনা

সংবাদ প্ৰবাহ পৃষ্ঠা ০৬
এই মাহত যাৰ জন্ম পৃষ্ঠা ০৮
সৃজনাত্মক প্ৰতিযোগিতা পৃষ্ঠা ১৬
প্ৰতিযোগিতাত পুৰস্কাৰ প্ৰাপ্ত কাহিনী পৃষ্ঠা ২৬
ভাৰত আবিষ্কাৰ প্ৰশ্নাৱলী পৃষ্ঠা ৫৮
ফটো নামকৰণ প্ৰতিযোগিতা পৃষ্ঠা ৬৬

এই মাহৰ বিশেষ আকৰ্ষণ

বজ্ৰদেহৰ ভুল (বেতাল কথা)

মৃত্যুঞ্জয়

গোবিন্দৰ বস্তা

ভাৰত কথা

Printed and Published by B. Viswanatha Reddi at B.N.K Press Pvt. Ltd., Chennai–600 026 on behalf of Chandamama India Limited, No.82, Defence Officers Colony, Ekattuthangal, Chennai - 600 097. Editor: Viswam

S. G. Book Depot

সৰ্বোত্তম
উপহাৰ

আপুনি আপোনাৰ প্ৰবাসী
আত্মীয় স্বজনৰ কাৰণে
ভাবিব পাৰে

চান্দমামা

তেওঁলোকৰ ইচ্ছা অনুসৰি
যিকোনো এটা ভাষাৰ পত্ৰিকা
উপহাৰ দিয়ক

অসমীয়া, বঙালী, ইংৰাজী, গুজৰাটী, হিন্দী, কানাড়ী
মালয়ালম, মাৰাঠী, উড়িয়া, সংস্কৃত তামিল আৰু তেলেগু

ঘৰৰ পৰা বহু দৰত থকাজনকো ঘৰৰ স্নেহ
অনুভব কৰিবলৈ দিয়ক

বৰঙণি
বিমান ডাক যোগে পৃথিৱীৰ সকলো ঠাইতে
বাৰটা সংখ্যা ৯০০ টকা

সাধাৰণ ডাকত ভাৰতৰ ভিতৰত
বাৰটা সংখ্যা ১২০ টকা

গ্ৰাহকসকলে ডিমাণ্ড ড্ৰাফ্ট্ বা মনি অৰ্ডাৰ
'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত
পঠাব লাগিব

পঠোৱাৰ ঠিকনা

PUBLICATION DIVISION
CHANDAMAMA INDIA LIMITED
New 82 (Old 92), Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097.

সম্পাদক
বিশ্বম

চান্দমামা পত্ৰিকা বিভাগ
নতুন নং ৮২
(পুৰণি নং ৯২),
ডিফেন্স অফিচাৰ্চ্ কল'নী,
একাডুথাঙ্গাল,
চেন্নাই - ৬০০ ০৯৭.
ফোন : ২৩৪ ৭৩৮৪/
২৩৪ ৭৩৯৯
ফেক্স : ২৩৪ ৭৩৮৪

For USA
Single copy $2
Annual subscription $20
Mail remittances to
INDIA ABROAD
43 West 24th Street
New York, NY 10010
Tel: (212) 929-1727
Fax (212) 627-9503

The stories, articles and designs contained in this issue are the exclusive property of the Publishers and copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপাণি

এটা নতুন সহস্ৰাব্দলৈ স্বাগতম

২০০০ চনটো এটা নতুন শতাব্দী আৰু এটা নতুন সহস্ৰাব্দৰ আৰম্ভণি হয় নে নহয় এটা তৰ্কৰ বিষয় আছিল । আজি আৰু কোনেও সেইটো প্ৰশ্ন নোতোলে । যদি ২০০০ চনটো নহয়, তেতিয়াহলে ২০০১ চনটো নিৰ্বিবাদে এটা নতুন যুগৰ আৰম্ভণি ।

এশ বছৰ আগতে এই সময়ত কি ঘটিছিল কম বেচি পৰিমাণে আমি সকলোৱে জানো । মটৰ গাড়ী, উৰজাহাজ, টিভি, ৰেডিঅ, ইন্টাৰনেট, ই-মেইল ইত্যাদি নথকা সেইখন আছিল বেলেগ পৃথিবী । কিন্তু এহেজাৰ বছৰ আগতে আমাৰ দেশখন কেনেকুৱা আছিল ? টাঞ্জাভূৰৰ বৃহদীশ্বৰ মন্দিৰ আক ভূৱনেশ্বৰৰ লিঙ্গৰাজ মন্দিৰ, এই বিখ্যাত মন্দিৰ দুটাৰ নিৰ্মাণৰ কাম শেষ হৈছিলহে, আনহাতে, সেই সময়ত গজনিৰ মহম্মদে ভাৰতৰ বহুতো নগৰ লুণ্ঠন কৰিছিল আৰু বহুতো অমূল্য স্মৃতিসৌধ ধ্বংস কৰিছিল । কবলৈ গলে, একে সময়তে ভঙা-গঢ়াৰ কাম চলিছিল ।সেইটো গোটেই শতাব্দীজুৰি সদায়ে ঘটিছিল ।

যুগ যুগ ধৰি মনীষীসকলে আমাক কৈ গৈছে ধ্বংসাত্মক শক্তিৰ চিকাৰ নহবা, তোমালোকৰ শক্তি সৃষ্টিমূলক কামত লগোৱা । সকলোবোৰ নহলেও বেচি ভাগ সমস্যাই সঁচাকৈয়ে আমাৰ মনৰ । আমি কিছুমান ধ্বংসাত্মক কাৰ্য্যৰ দ্বাৰা সেইবোৰ সমাধান কৰিব বিচাৰো । কিন্তু সেইদৰে একোৱে সমাধান নহয় । উদাহৰণ স্বৰূপে ভাৰত বিভাজনৰ কথাকে কব পাৰি । আমি ভাবিছিলো দেশখন ভাগ কৰিলে হিন্দু-মুছলমানৰ সমস্যাটো সমাধান হৈ যাব । কিন্তু, সমস্যা সমাধান হওকচাৰি বেচি জটিল হে হৈছে । আজিও বিবাদ চলিয়ে আছে, কাৰণ সেইবোৰ আছে মানুহৰ মনত, এই মঙ্গলময় ধৰাত নাই ।

যদি আমি এই সত্যতো মনত ৰাখো আমি চমকপ্ৰদ সাফল্য লাভ কৰিব পাৰিম । আমি এক মানৱ জাতি হিচাবে বাস কৰাৰ বাবে মানসিক ভাবে প্ৰস্তুত হব লাগিব । এইটোৱে হৈছে নতুন শতিকা আৰু নতুন সহস্ৰাব্দৰ আহবান । সকলো কথা আৰু কামৰ ফল একেখন পৃথিবীতে থাকিব । আনি যিমান সোনকালে এইটো উপলব্ধি কৰিব পাৰো সিমানেই মঙ্গল ।

অভিলেখপূৰ্ণ ২০০০

২০০০ চনটোত কিছুমান অতুলনীয় অভিলেখ সৃষ্টি হৈছে

• ১০৪ ঘন্টা একেৰাহে মাইক্ৰোফোন এটা ধৰি থকা সম্ভবনে ? মালয়েচিয়াৰ বাহৰান মহটাৰুদ্দিন নামৰ ডিচক্ জকী এজনে অক্টোবৰ মাহত সম্ভব কৰিছিল । তেওঁ কৱালালম-পুৰৰ শ্ৰেষ্ঠ ১০৪ ৰেডিঅ'ৰ বাবে কাম কৰিছিল । তেওঁ দেওবাৰে ডিচক্ কৰিবলৈ আৰম্ভ কৰিছিল আৰু তাত সুন্দৰভাবে সঙ্গীত আৰু গানৰ বিষয়ে কোৱা হৈছিল আৰু পিছৰ শুক্ৰবাৰে তেওঁৰ কামটো শেষ। কৰিছিল । অৱশ্যে তেওঁ প্ৰতি ছঘন্টাৰ অন্তৰে অন্তৰে ১৫ মিনিট সময় জিৰণি লৈছিল । ইয়াৰ আগৰ অভিলেখ ইয়াতকৈ দহ ঘন্টা কম আছিল ।

• লৰ্চ-গোত্ৰৱাণ কাৰ্লছন এজন চুইডেনৰ চিনেমা অভিনেতা । তেওঁ ফিল্মত সংলাপ কোৱাৰ বাবে অতি বিখ্যাত । তেওঁ চেপ্তেম্বৰ মাহত মালমো গ্ৰন্থ মেলাত ডাঙৰ ডাঙৰকৈ গল্পবোৰ পঢ়ি গৈছিল ; এইবোৰ কিন্তু শিশুৰ বাবে নাছিল, প্ৰাপ্তবয়স্কৰ বাবে হে আছিল । সেই গ্ৰন্থ মেলাত চুইডেনৰ এজন বিখ্যাত লিখক অগষ্ট ষ্ট্ৰিন্ডবাৰ্গৰ কিতাপৰ প্ৰচাৰ কৰা হৈছিল । কাৰ্লছনক তেওঁৰ পাঁচখন কিতাপ দিয়া হৈছিল আৰু তেওঁ সেইকেইখন একেৰাহে ২৫ ঘন্টা, শনিবাৰৰ পৰা দেওবাৰলৈ পঢ়ি আছিল । তেওঁ প্ৰতিঘন্টাৰ অন্তৰে অন্তৰে মাথোঁ পাঁচমিনিট সময় জিৰণি লৈছিল । ইয়াৰ আগৰ অভিলেখ আছিল ২৪ ঘন্টা ২৪ মিনিট । সৌভাগ্যক্ৰমে তেওঁৰ মাত বহি যোৱা নাছিল, কিন্তু তেওঁক টোপনিয়ে হেচি ধৰিছিল । তেতিয়াহলে শ্ৰোতাসকলৰ অৱস্থাটো এবাৰ ভাবাচোন ?

• অষ্ট্ৰিয়াৰ হান্স স্বর্জ (Hans Schwarz) এ লিখা বাতৰি এটা ৪৪ বছৰ পিছত তেওঁৰ তালৈ ঘূৰি গৈছিল, যদিও এইটো ডাকযোগে নাছিল। ১৯৫৬ চনৰ মেলবৰ্ণ অলিম্পিক চাবলৈ স্বৰ্জে এখন জাহাজত উঠি অষ্ট্ৰেলিয়া অভিমুখে গৈ আছিল। তেওঁ ইংৰাজী আৰু জাৰ্মান ভাষাত এটা খবৰ লিখি বটল এটাত ভৰাই থিলামাৰি ভাৰত মহাসাগৰত দলিয়াই দিছিল। সাগৰৰ ঢৌয়ে বটলটো অইন ফাললৈ লৈ যাব পৰিলেহেতেন; কিন্তু স্বৰ্জৰ বাবে আচৰিত লাগিছিল, সেই বটলটো আহি নিউজিলেণ্ডৰ উপকূলত লাগিছিল, সেই উপকূলৰ ওচৰতে তেওঁ অষ্ট্ৰিয়াৰ পৰা আহি থাকিবলৈ লৈছিল। যেতিয়া তেওঁক এইবিষয়ে যোৱা অক্টোবৰত খবৰ দিয়া হৈছিল তেওঁ এইবুলি মন্তব্য কৰিছিল, এনে ঘটনা নিযুতৰ ভিতৰত এবাৰ হে ঘটে।

• যেতিয়া বেচিভাগ এভাৰেষ্ট শৃঙ্গ আৰোহণকাৰীৰে তলৰ কেম্পৰ পৰা শৃঙ্গত উঠিবলৈ দুইৰ পৰা চাৰিদিন সময় লাগে শ্বেৰপা বাবু ছিৰিয়ে শৃঙ্গত উঠিবলৈ ৪ মিনিট কম ১৭ ঘণ্টা সময় লৈছিল। তেওঁ ২০০০ চনৰ পৰ্বত আৰোহণৰ সময়তে এই বিশ্ব অভিলেখটো কৰিছিল। এইটোৱে আছিল এতিয়ালৈকে বেগাই পৰ্বত বগোৱা ৰেকৰ্ড। ৩৪ বছৰীয়া ছিৰিৰ এইটোৱে একমাত্ৰ আভিলেখ নহয়। তেওঁ ১৩ বছৰ বয়সতে প্ৰথম পৰ্বত বগোৱা আৰম্ভ কৰিছিল। তেতিয়া তেওঁ বিদেশী পৰ্বত আৰোহণকাৰীৰ মাল বৈ নিয়া ভাৰীহে আছিল। ১৯৮৯ চনত তেওঁ অকলে গৈছিল। তেতিয়াৰপৰা তেওঁ ১০ বাৰ এভাৰেষ্ট শৃঙ্গ বগাইছে। ১৯৯৫ চনত তেওঁ ১৪ দিনৰ ভিতৰত দুবাৰ এভাৰেষ্ট শৃঙ্গ বগাইছে। ১৯৯৯ চনত তেওঁৱেই বটলৰ অক্সিজেন নোলোৱাকৈ ২১ ঘণ্টা সময় শৃঙ্গত থকা প্ৰথম আৰোহণকাৰী আছিল। তেওঁ চিন্তামগ্ন হৈ কথাবোৰ মনত পেলাই কৈছিল বেচিভাগ এভাৰেষ্ট আৰোহনকাৰীয়ে অভিলেখৰ বাবে শৃঙ্গ বগায়। কিন্তু ছিৰিৰ উদ্দেশ্য আছিল বেলেগ। তেওঁ শ্বেৰপা ল'ৰা ছোৱালীবোৰৰ বাবে তেওঁৰ গাঁৱত এখন স্কুল খুলিব বিচাৰিছিল। তেওঁ নিজেও স্কুলত পঢ়াৰ সুবিধা পোৱা নাছিল।

এই মাহত জন্ম হোৱা ব্যক্তি

"অতীতৰ ভাৰতবৰ্ষক আমি পুনৰুদ্ধীপ্ত কৰাৰ কেতিয়াও আশা নকৰো, কিন্তু ভৱিষ্যতৰ ভাৰতবৰ্ষ আমাৰ বাবেই, আমিয়েই তাক নতুন ৰূপত গঢ় দিব লাগিব । ভৱিষ্যতে যিখন ভাৰতবৰ্ষৰ জন্ম হব তাত কোনো জাতি, বৰ্ণৰ বিভেদ নাথাকিব .....প্ৰথমতে ভাৰতীয় হওক আৰু শেষলৈকে ভাৰতীয় হৈয়ে থাকক।"

এশ বছৰ আগতে এই আহবান জনাইছিল এজন বিখ্যাত সমাজ সংস্কাৰক আৰু শিক্ষাবিদ, মহাদেৱ গোবিন্দ ৰানডে । এই শেষৰ বাক্যটো তেওঁৰ অনুগামীসকলে তেওঁলোকৰ ভাষণত প্ৰায়ে উনুকিয়াইছিল ।

তেওঁ কৰা সমাজ সংস্কাৰৰ কামবোৰৰ ভিতৰত এটা আছিল নাৰী শিক্ষা । সেই সময়ৰ ৰক্ষণশীল সমাজখনে তেওঁৰ এই কথা সমৰ্থন কৰা নাছিল । কিন্তু তেওঁ নিজে ইয়াৰ দৃষ্টান্ত দেখুৱাবলৈ তেওঁ নিজৰ এঘাৰ বছৰীয়া নিৰক্ষৰ পত্নীক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল । যেতিয়া তেওঁৰ পত্নী ৰমাবাঈক শিক্ষা দিয়াৰ বাবে এগৰাকী ইংৰাজ ভদ্ৰমহিলাক তেওঁৰ ঘৰলৈ আহিবলৈ অনুৰোধ কৰিছিল, তেতিয়া পৰিয়ালৰ অন্যান্য মহিলাসকল খঙতে জাঙুৰ খাই উঠিছিল । তেওঁলোকে দেখিছিল মিচ হাৰফাৰ্ড যোৱাৰ পাছত ৰামবায়ে গাধুই আহিছিল।

নাচিক জিলাৰ নিফাদত ১৮৪২ চনৰ ১৮ জানুৱাৰীত মহাদেৱে জন্ম গ্ৰহণ কৰিছিল । তেওঁৰ পিতাক গোবিন্দ ৰাও ৰানডে কোলহাপুৰ ৰাজ্যৰ শাসনকৰ্ত্তা আছিল ।

মহাদেৱ গোবিন্দ ৰানডে

১৩ বছৰ বয়সত তেওঁক বোম্বাইলৈ পঠোৱা হৈছিল আৰু তাৰ এলফিনষ্টন ইন্‌ষ্টিটিউটত ভৰ্ত্তি কৰি দিয়া হৈছিল । যথাসময়ত তেওঁ এম.এ., এল.এল.বি.আৰু সন্মানেৰে সৈতে এল.এল.বি পাছ কৰিছিল । মেট্ৰিকুলেশ্বন পৰীক্ষাৰ পিছৰ প্ৰতিটো পৰীক্ষাতে তেওঁ ডিচটিংশ্বন লাভ কৰিছিল ।

তেওঁ গোটেই ছাত্ৰজীৱনতে বৃত্তি পাইছিল। পিছৰ জীৱনত তেওঁ বহুতো দুখীয়া ছাত্ৰক আৰ্থিকভাবে সহায় কৰিছিল । তেওঁ কৰা সমাজ সংস্কাৰৰ কামবোৰত সমালোচনাৰ সন্মুখীন হৈছিল, কিন্তু তেওঁ সেইবোৰ সহজভাবে লৈছিল ।

তেওঁ দয়ালু স্বাভাৱৰ আছিল। প্ৰেচিডেন্সি মেজিষ্ট্ৰেট হৈ থাকোতে তেওঁ এবাৰ ৰেলগাড়ীৰে ভ্ৰমণ কৰিছিল । এজন ইংৰাজ অফিচাৰে তাত উঠি তেওঁৰ মালপত্ৰ বাহিৰলৈ দলিয়াই দিছিল । ৰানডে তেওঁৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা নাছিল । তেওঁৰ কৰ্ত্তব্যৰ সময়ত কিন্তু কাকো ক্ষমা নকৰিছিল । এবাৰ এজন ইংৰাজে ৫০ টকা চুৰি কৰা কাৰণে তেওঁক ৬মাহ ফাটেক দিছিল । ইয়াৰ আগতে, এজন ভাৰতীয়ক ১০০ টকা চুৰি কৰাৰ অপৰাধত এমাহ কাৰাবাস দিছিল । যেতিয়া পক্ষপাতিত্ব কৰা বুলি ৰানডেক সমালোচনা কৰা হৈছিল, তেওঁৰ উত্তৰ আছিল, ইংৰাজসকলে চুৰিৰ পৰিকল্পনা কৰে, ভাৰতীয়সকল তাত প্ৰলোভিত হয়।

যেতিয়া এ.ও.হিউমে কংগ্ৰেছ গঠন কৰিলে তেওঁ তাত অনানুষ্ঠানিক ভাবে যোগ দিছিল, কাৰণ তেওঁ চাৰকাৰী চাকৰি কৰিছিল । মিষ্টাৰ হিউমে তেওঁক ৰাজনৈতিক গুৰু বুলি কৈছিল । ভাৰত মাতৃৰ এই সুযোগ্য সন্তানজনৰ ১৯০১ চনৰ ১৬ জানুৱাৰীত মৃত্যু হৈছিল ।

বজ্ৰদেহৰ ভুল

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল। গছৰ ডালৰপৰা মৰা শটো নমাই আনি কান্ধত পেলাই লৈ মৌন হৈ শ্মশানৰ ফালে গৈ থাকিল । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে -"মহাৰাজ,মই তোমাক কৈ কৈ ভাগৰি পৰিলো । কিন্তু এইটো নাভাবিবা যে মই হাৰ মানি মনে মনে থাকিম । তুই যিমান জেদি,মইও কিন্তু কম নহয় । কিমানবাৰ যে মই তোমাক কলো এই অতব্য হাবিত কিমান হিংস্ৰ জন্তু আছে । যিকোনো সময়তে সিহঁতে তোমাক আক্ৰমণ কৰিব পাৰে । মাজৰাতি তুমি এইদৰে পৰিশ্ৰম কৰা দেখি তোমাৰ ওপৰত মোৰ দয়া

উপজিছে । এইটোয়ে মোৰ আচৰিত লাগিছে তুমি অসফল হোৱা স্বত্বেও নিৰাশ হোৱা নাই, ধৈৰ্য্য আৰু সাহসো ঠিক একেদৰেই আছে, কিন্তু তোমাৰ বিবেক আৰু সময়নিষ্ঠা বোধ যাতে ঠিক সেইদৰে থাকে সেইটোহে মই বিচাৰো । নহলে তোমাৰ সকলো পৰিশ্ৰম বিফল হব । উদাহৰণ স্বৰূপে মই তোমাক মহামন্ত্ৰী মাঞ্জলি ভট্ট আৰু অসমান্য সাহসী বীৰ বজ্ৰদেহৰ কাহিনী কম । এইবুলি কৈ বেতালে কাহিনী কবলৈ আৰম্ভ কৰিলে ।

মগধ ৰাজ্যত মহিপাল নামৰ এজন ৰজা আছিল । তেওঁ এজন দক্ষ প্ৰশাসক আছিল । তেওঁৰ সমান কুটনীতিজ্ঞও কোনো নাছিল। গ্ৰহণগিৰি আছিল তেওঁৰ চুবুৰীয়া ৰাজ্য । সেই ৰাজ্যৰ ৰজা কুঞ্জৰৰ মনত ইচ্ছা আছিল যিকোনো প্ৰকাৰেই মগধ ৰাজ্যক নিজৰ অধীনলৈ অনাৰ । কিন্তু মহিপালৰ দক্ষতা আৰু তেওঁৰ বিপুল সৈন্যদলৰ আগত কুঞ্জৰে তিষ্ঠিব নোৱাৰিছিল । তেওঁৰ সকলো চেষ্টাই ব্যৰ্থ হৈছিল । যেতিয়া তেওঁ কটকীসকলৰ পৰা জানিব পাৰিলে কোনো ক্ষেত্ৰতে মগধ ৰাজ্য নিজৰ অধীন কৰিব নোৱাৰিব, তেতিয়া তেওঁ নিৰুৎসাহিত হ'ল । সেই চিন্তাতে তেওঁ বেমাৰী হৈ গ'ল ।

এই সময়তে এদিন মন্ত্ৰী মাঞ্জলি ভট্টই ৰজাৰ ওচৰলৈ গৈ তেওঁৰ মনৰ কথা কলে - "মহাৰাজ, মগধ যিমান শক্তিশালী ৰাজ্য আমি সিমান শক্তিশালী নহয়, কিন্তু সেইবুলি আমি হাত সাবতি বহি থাকিলে নহব । মগধক নিজৰ অধিন কৰিবলৈ মই এটা বিশেষ উপায়ৰ কথা চিন্তা কৰিছো । মই ছদ্মবেশে গৈ সেই ৰাজ্যত প্ৰৱেশ কৰিম । তাত গৈ তাৰ প্ৰজাসকলক উচতাই বিদ্ৰোহৰ সৃষ্টি কৰিম । ৰাজ্যৰ ভিতৰত হোৱা বিদ্ৰোহ দমন কৰিবলৈ তেওঁৰ কিছু সময় লাগিব আৰু তেওঁৰ সৈন্যবোৰো তাতে ব্যস্ত থাকিব । সেই সময়তে আপুনি মগজ ৰাজ্য আক্ৰমণ কৰি নিজৰ অধীন কৰি লব ।" ৰাজাক এই কথা কোৱাৰ পিছদিনাই মন্ত্ৰীয়ে মগধলৈ ৰাওনা হ'ল ।

মগধ ৰাজ্যৰ সেনাপতি এমাহ ধৰি অসুখত পৰিথকাৰ পাছত এদিন তেওঁৰ মৃত্যু হ'ল । এতিয়া কাক সেনাপতি কৰা যায় মহিপালে সেই কথা চিন্তা কৰিবলৈ ধৰিলে । এই বিষয়লৈ তেওঁ মন্ত্ৰীৰ লগতো আলোচনা কৰিলে । সেই সময়তে গুপ্তচৰৰ মুখে ৰাজাই জানিব পাৰিলে ভৈৰৱ নামৰ এজন ঠগ, দগাবাজে ৰাজ্যৰ সীমান্ত অঞ্চলত থকা অধিবাসীসকলক ঠগাই সিহঁতৰ সম্পত্তিবোৰ আত্মচ্যাত কৰিছে । তাৰ

অধিবাসীসকলে অতিষ্ঠ হৈ এদিন খঙতে ভৈৰৱক খুব মাৰিলে। তেতিয়া সি ভয়তে অৰণ্যৰ মাজত গৈ লুকাই থাকিল ।

তেতিয়াৰ পৰাই ভৈৰৱে চিন্তা কৰিবলৈ ধৰিলে কেনেকৈ তাৰ পৰা ওলাই এখন সুৰক্ষিত ঠাইলৈ যাব পাৰি । এদিন সি কোনোবাই জাৰণিৰ মাজৰ পৰা পানী পানী বুলি চিঞৰা শুনিবলৈ পালে ।

ভৈৰৱে জাৰণিৰ পিছফালে থকা কিছুমান শিলৰ মাজত পৰি থকা এটা বুঢ়া ৰাক্ষস দেখিবলৈ পালে । সি ততালিকে পানী লৈ গৈ ৰাক্ষসটোক খাবলৈ দিলে আৰু তাৰ গাৰ ওপৰত পৰি থকা শিলবোৰ গুচাই দিলে।

বুঢ়া ৰাক্ষসটোৱে কৃতজ্ঞতা প্ৰকাশ কৰি তাক কলে-হে নৰ ! মই তোমাৰ সহায়ৰ কথা কেতিয়াও নাপাহৰো । মোৰ নিজৰ ভাইয়ে এই অৰণ্যত নিজৰ অধিপত্য বিস্তাৰ কৰিবলৈ গৈ মোৰ এই অৱস্থা কৰিলে । সি মোৰ লগত খুব নিৰ্দয় ব্যৱহাৰ কৰিলে । সেই পাহাৰখনৰ পৰা শিলৰ টুকুৰা বগৰাই দি মোক মাৰিব খুজিছিল । এতিয়া কোৱা, তোমাক কি লাগে। যথাশক্তি মই তোমাক সহায় কৰিম ।"

ৰাক্ষসৰ লেঙেৰা ভৰি দুখন দেখি ভৈৰৱৰ তাৰ ওপৰত দয়া উপজিল আৰু ক'লে " তুমি নিজেই এজন লেঙেৰা, তুমি আকৌ মোক কি সহায় কৰিবা ? মোক বহুত ধন লাগে ।"

"ইয়ালৈতো কোনো মানুহ নাহে, ধন কৰাপৰা পাবা ?" ৰাক্ষসটোৱে অসহায়তা ব্যক্ত কৰি কলে ।

ৰাক্ষসৰ কথা শুনি ভৈৰৱে নিজৰ মনতে এটা উপায় বিচাৰিলে । সি কলে -"মই নিজৰ বুদ্ধিৰে এনেকুৱা এটা ব্যৱস্থা

কৰিম, যাতে মানুহবোৰ তোমাৰ ওচৰলৈ আহি থাকে । সেই মানুহবোৰৰ মাংস তুমি খাবা আৰু সিহঁতৰ গহনা, টকা-পইচা ইত্যাদি মোৰ হব ।"

নৰমাংসৰ কথা শুনি ৰাক্ষসৰ জিভাৰ পানী পৰিবলৈ ধৰিলে আৰু কলে-"নৰ মাংস, আঃ কি সোৱাদ, চল্লিশ বছৰ আগতে মই এবাৰ খাইছিলো । ইয়াৰ বাবে তুমি যি কোৱা মই তাকে শুনিম ।"

ভৈৰৱে তাৰ পৰা ওলাই গৈ অৰণ্যৰ কাষত থকা মগধ ৰাজলৈ গৈ তাৰ মানুহবোৰক কবলৈ ধৰিলে "ত্ৰেতাযুগৰ এটা ৰাক্ষস অৰণ্যৰ মাজত আছে । তেওঁ এবাৰ শ্ৰীৰামচন্দ্ৰৰ লগত যুদ্ধ কৰিছিল । সেই যুদ্ধত ৰাক্ষসে দুয়োখন ভৰি হেৰুৱায় । তেতিয়াৰ পৰাই ৰাক্ষসটোৱে শ্ৰীৰামৰ জপ কৰি সময় কাটাইছে । অতি



নিষ্ঠাৰে ৰামৰ পূজা কৰি আছে ।”

এই কথা ভৈৰৱে চাৰিওফালে প্ৰচাৰ কৰিলে । মানুহবোৰেও তাৰ কথা সঁচা বুলি ভাবি লালে । তেওঁলোকে অৰণ্যৰ মাজলৈ ৰাক্ষসক দৰ্শন কৰিবলৈ যাবলৈ ধৰিলে । কিছুমানে জন্তুৰ ভয়ত অৰণ্যৰ ভিতৰলৈ নগৈ উলতি আহিল আৰু কিছুমান গৈ ৰাক্ষসৰ আহাৰ হ'ল । দুই তিনিদিনৰ মূৰে মূৰে ভৈৰৱে এবাৰ তালৈ মনে মনে যায় আৰু টকা পইচা,গহনা যি পায় লৈ আহে ।

ৰজা মহিপালে বুজিব পাৰিলে,ভৈৰৱৰ কথা বিশ্বাস কৰি কিছুমান মানুহ অৰণ্যৰ মাজলৈ গৈ আৰু উভতি নাহে । এদিন ৰজাই মন্ত্ৰীক কলে “আচলতে অৰণ্যৰ ভিতৰতনো কি হৈছে মই বুজিব পৰা নাই? আপুনি ঘোষণা কৰি দিয়ক যিয়ে ইয়াৰ আচল কথাটো জানিব পাৰিব আৰু জনসাধাৰণক ৰক্ষা কৰিব পাৰিব তেওঁকে সেনাপতি পদত নিযুক্ত কৰা হব । ইয়াৰ দ্বাৰা আমি এজন উপযুক্ত সেনাপতি পাম আৰু লগতে জনসাধাৰণৰ সমস্যাও দূৰ হব ।”

ৰাজাই কোৱা মতে মন্ত্ৰীয়ে ৰাজ্যত ঘোষণা কৰি দিলে । এই ঘোষণা শুনি পৃথ্বী নামৰ যুৱৰাজৰ এজন বন্ধু অৰণ্যৰ মাজলৈ যাবলৈ সাজু হ'ল । পৃথ্বীয়ে যুৱৰাজৰ দৰে সকলোবোৰ ক্ষত্ৰিয় বিদ্যাই জানিছিল । তেওঁ অৰণ্যৰ মাজত ঘূৰি ফুৰি অৱশেষত ৰাক্ষসৰ সন্ধান পালে । খুব সাৱধানে এডাল গাছৰ আঁৰত লুকাই থাকি তেওঁ ৰাক্ষসৰ কাজ কৰ্ম,গতিবিধি লক্ষ্য কৰিবলৈ ধৰিলে ।

সেইদিনা কোনো মানুহ ৰাক্ষসৰ ওচৰলৈ অহা নাছিল । সন্ধিয়া এখন বস্তা লৈ ভৈৰৱগৈ তাত ওলাল । ৰাক্ষসটোৱে শিলৰ তলত লুকাই ৰখা টকা পইচা,গহনা আদি তাক দিলে । সি সেইবোৰ লৈ যাবলৈ ধৰিলে । পৃথ্বীয়ে তাক অনুসৰণ কৰিলে আৰু তাক বন্দী কৰি ৰাজাৰ ওচৰলৈ লৈ গল । ৰজাক গৈ কলে,“মহাৰাজ ভৈৰৱ এজন ঠগ, প্ৰবঞ্চক । মানুহবোৰে যেতিয়া তাৰ এই চালাকিৰ কথা জানিব পাৰিব কোনেও আৰু ৰাক্ষসৰ ওচৰলৈ নাযাব আৰু সেই লেঙেৰা ৰাক্ষসটোৱেও নৰ মাংস খাবলৈ নাপাব ।”

পৃথ্বীয়ে কোনো অস্ত্ৰ-সস্ত্ৰ ব্যৱহাৰ নকৰাকৈয়ে নিজ বুদ্ধিৰ বলেৰে অতি সুন্দৰ ভাবে এই সমস্যা সমাধান কৰিলে । তাৰ বাবে ৰজা মহিপালে তেওঁক অভিনন্দন জনালে আৰু ভৈৰৱক জেলত থলে ।

পিছদিনা ৰজা মহিপালে যেতিয়া পৃথ্বীক

সেনাপতি পদত নিযুক্তি কৰাৰ বাবে আয়োজন কৰি আছিল,তেতিয়া বজ্রদেহ নামৰ ব্যক্তি এজনে এটা ৰাক্ষসৰ মূৰ হাতত লৈ ৰাজদৰবাৰত প্রৱেশ কৰি ৰাজাক কবলৈ ধৰিলে -"মহাৰাজ,আপোনাৰ ৰাজ্যৰ প্রজাসকলক নিজৰ আহাৰ কৰা এই ৰাক্ষসটোৰ মূৰ কাটি মই লৈ আহিছো,এয়া চাওক ।"

তেওঁৰ পিছে পিছে অহা বহুতো অনুচৰেও দৰবাৰত প্রৱেশ কৰিলে । বজ্রদেহৰ পিতাক জ্ঞানমুনি এজন প্রসিদ্ধ গুৰু আছিল । যেতিয়া তেওঁ জীৱিত আছিল তেওঁৰ এখন বিদ্যালয় আছিল । মগধ ৰাজ্যৰ বহুতো বিদ্যান লোক তেওঁৱেই সৃষ্টি কৰিছে। তেওঁৰ ওচৰত শিক্ষা গ্রহণ কৰি বহুতে যোদ্ধা হৈছে,বহুতে বিদ্যান,সুনাগৰিক হৈছে । তেওঁক লৈ জনসাধাৰণে গৌৰৱ কৰিছিল । সেয়েহে বজ্রদেহক সেনাপতি পাতিবলৈ বহুতে প্রস্তাৱ আগবঢ়ালে । ইয়াৰ বাবে ৰজাৰ ঘোষণামতে তেওঁ অৰণ্যলৈ গৈ ৰাক্ষসৰ মূৰ কাটি লৈ আহিছে ।

ৰাক্ষসৰ কটা মূৰ দেখি ৰজা কিছুসময় মৌন হৈ থাকিল । তাৰপাছত তেওঁ বজ্রদেহক কলে-"তোমাৰ আগতে পৃথ্বীয়ে এই পৰীক্ষাত উত্তীর্ণ হৈছে । তুমি এনেকুৱা এটা ৰাক্ষসৰ মূৰ কাটি লৈ আহিছা,যিটো লেঙেৰা,যিটোয়ে অইনৰ কোনো হানি কৰিব নোৱাৰে । সি আনৰ সহায়তহে এই বেয়া কামবোৰ কৰি আছিল । কিন্তু পৃথ্বীয়ে এই সকলোৰে অনর্থৰ মূল ভৈৰৱক বন্দী কৰিলে। এই কামৰ বাবে তেওঁ কোনো অস্ত্র-সস্ত্রও ব্যৱহাৰ কৰা নাই । মোৰ বিবেচনা মতে ভৈৰৱক বন্দী কৰাটোহে এই সমস্যা

সমাধানৰ একমাত্র পথ ।

ৰজাৰ কথা শুনি বজ্রদেহৰ অনুগামী সকলে চিঞৰ বাখৰ কৰিবলৈ ধৰিলে । বজ্রদেহে তেওঁলোকক বুজাই বঢ়াই তাৰ পৰা লৈ আহিল । বজ্রদেহৰ অনুগামীসকলৰ ভিতৰত এজন আছিল মাঙলি ভট্ট । তেওঁক যাতে কোনেও চিনিব নোৱাৰে তাৰ বাবে তেওঁ দাড়ি দীঘলকৈ ৰাখিছিল আৰু মূৰত এখন কম্বল লৈ আহিল । কিছুদূৰ যোৱাৰ পিছত তেওঁ বজ্রদেহক লগ ধৰি কলে,-"বজ্রদেহ পৃথ্বী হল যুৱৰাজৰ বন্ধু সেয়েহে তেওঁক সেনাপতি পাতিছে । সচাঁ কথা কবলৈ হলে তুমি তাতকৈও ডাঙৰ বীৰ, সাহসী আৰু বুদ্ধিমান । সকলোফালৰ পৰা তুমি সেই পদৰ উপযুক্ত । মোৰ কথা যদি শুনা তুমি সেনাপতি হব পাৰিবা । এইটো কেনেকৈ সম্ভৱ হব,সেই

বিষয়ে মই ভাবিম ।" তেওঁ বজ্ৰদেহ আৰু তেওঁৰ অনুগামীসকলক উচতনি দি নিজৰ ৰহস্য স্থানলৈ লৈ গ'ল ।

মাঞ্জলি ভট্টৰ আঁচনি মতে বজ্ৰদেহৰ অনুগামী সকলে তেওঁৰ নেতৃত্বত পিছদিনা নগৰৰ প্ৰধান বাণিজ্য কেন্দ্ৰবোৰ ধ্বংস কৰিলে, নগৰৰ মূখ্য ব্যক্তি আৰু ৰাজকৰ্মচাৰী সকলক অপহৰণ কৰি নি বন্দী কৰিলে । পুনৰ তেওঁ ৰজালৈ এই বুলি বাতৰি পাঠালে যে বজ্ৰদেহক সেনাপতি পাতিলে এওঁলোকক এৰি দিয়া হব, নহলে তেওঁলোকক মাৰি পেলোৱা হব ।

বজ্ৰদেহৰ বিষয়ে সম্পূৰ্ণ তথ্য আনিবলৈ ৰজাই গুপ্তচৰসকলক আদেশ দিলে । দুদিনৰ পিছতে তেওঁলোক উলতি আহি ৰজাক কলে "মহাৰাজ, বজ্ৰদেহৰ এই ধ্বংসাত্মক কামৰ অন্তৰালত গ্ৰহণগিৰি ৰজাৰ হাত আছে । তেওঁৰ মন্ত্ৰী মাঞ্জলি ভট্ট আমাৰ ৰাজ্যলৈ আহি এইবোৰ কামত উচতনি দি আছি । বজ্ৰদেহ আৰু তেওঁৰ অনুগামীসকল হৈছে তেওঁৰ হাতৰ পুতলা ।"

ৰজা মহিপালে মন্ত্ৰীৰ লগত দীৰ্ঘ সময় আলোচনা কৰাৰ পিছত ঘোষণা কৰিলে যে পৃথ্বীক সেনাপতি পদৰ পৰা আতৰোৱা হৈছে আৰু তাৰ ঠাইত বজ্ৰদেহক নিযুক্ত কৰা হৈছে।

ৰজাৰ ঘোষণা শুনি বজ্ৰদেহৰ বন্ধুসকলৰ আনন্দৰ সীমা নোহোৱা হল ।তেওঁলোকে বিজয়গৰ্বেৰে তেওঁৰ ঘৰলৈ গ'ল । কিন্তু বজ্ৰদেহক তাত নাপালে । তাৰ সলনি মাঞ্জলি ভট্টক হে তাত মৰি পৰি থকা দেখিলে । তেওঁৰ মূৰটো গুৰি কৰি দিয়া হৈছিল । তাৰ ওচৰতে এটা শিলত লিখা আছিল- "বন্ধুসকল, মই সেনাপতি পদৰ বাবে উপযুক্ত নহয় । মই কুটিল,ষড়যন্ত্ৰকাৰী মাঞ্জলি ভট্টৰ কথা শুনি নগৰত অৰাজকতাৰ সৃষ্টি কৰিলো,বহুতো ধ্বংসাত্মক কাম কৰিলো । সেয়েহে মই তেওঁক হত্যা কৰিলো। মই এই ৰাজ্য ত্যাগ কৰি গুচি গলো ।"

বেতালে কাহিনীটো শেষ কৰি উঠি নিজৰ সন্দেহ ব্যক্ত কৰি কলে "মহাৰাজ,মহিপালৰ উচিত আছিল তেওঁ বজ্ৰহক কঠোৰ শাস্তি প্ৰদান কৰা, কাৰণ তেওঁ সেনাপতি পদৰ লালসাত গোটেই নগৰতে অৰাজকতাৰ সৃষ্টি কৰিছিল । কিন্তু ৰজাই সেইটো নকৰি ঘোষণা কৰিলে যে পৃথ্বীৰ ঠাইত বজ্ৰদেহক সেনাপতি পতা হৈছে । এইটোৱে ৰজাৰ দুৰ্বলতা আৰু ভীৰুতাৰ কথা প্ৰকাশ নকৰেনে ? যেতিয়া ৰজাই বজ্ৰদেহক সেনাপতি পাতিবলৈ ঘোষণা

কৰিলে,ৰজাই নিজে হাৰ মানিলে । পুনৰ বজ্ৰদেহে সেই পদ গ্ৰহণ নকৰি ৰাজ্য এৰি গুচি যোৱাটোৱে তেওঁৰ বৌদ্ধিক আপৰিপক্কতাৰ কথাকে নুসুচাই নে ? সেইটো তেওঁৰ ভুল নহয়জানো ? যি মাঞ্জলি ভট্টৰ বাবে তেওঁ সেনাপতি পদ পালে সেই মঞ্জলি ভট্টক হত্যা কৰাৰ তেওঁৰ কি আৱশ্যক আছিল ?"মোৰ এই প্ৰশ্নবোৰৰ উত্তৰ জানিও যদি মৌন হৈ থাকা তেতিয়াহলে তোমাৰ মূৰটো টুকুৰা-টুকুৰা হৈ যাব ।

ৰজা বিক্ৰমে কলে " বজ্ৰদেহক সেনাপতি ঘোষণা কৰাৰ আঁৰত ৰজা মহিপালৰ কোনো আশক্তি নাই,ভীৰুতা নাই,বৰঞ্চ ৰাজনৈতিক চতুৰতাহে আছে । যদি তেওঁ কোনো ভবা চিন্তা নকৰি বজ্ৰদেহ আৰু তেওঁৰ অনুগামীসকলক মাৰিবলৈ সেনা পাঠালেহেতেন,তেতিয়া বহুতো মানুহৰ মৃত্যু হ'লহেতেন । বিজয় উল্লাসেৰে উল্লাসিত হৈ যেতিয়া বজ্ৰদেহ আৰু তেওঁৰ অনুচৰসকল দৰবাৰলৈ আহিব, তেতিয়া তেওঁলোকক বন্দী কৰা সহজ । ৰাজাৰ এই যুক্তিমতে কোনো হত্যাকান্ড নহলহেতেন। এতিয়া আহো বজ্ৰদেহৰ কথালৈ । নি:সন্দেহে তেওঁ এজন ধৈৰ্য্যশীল আৰু সংস্কাৰী ব্যক্তি আছিল । ৰজাই তেওঁক সেনাপতি নকৰাৰ প্ৰতিবাদত যেতিয়া তেওঁৰ অনুগামীসকলে গন্ডগোল লগাইছিল তেতিয়া তেওঁ সিহঁতক বুজাই বঢ়াই লৈ গৈছিল । তেওঁ মাঞ্জলি ভট্টৰ কথা শুনি বিদ্ৰোহী হৈছিল । সেনাপতি হোৱাৰ লোভত নিজৰ বিবেক বুদ্ধি হেৰুৱাইছিল । ফলস্বৰূপে তেওঁ নগৰত অৰাজকতাৰ সৃষ্টি কৰিলে । ৰজাৰ ঘোষণা শুনি তেওঁ শান্তহৈ ভাবিবলৈ ধৰিলে । তেওঁৰ বিবেক জাগৃত হ'ল। তেওঁ জ্ঞানী পিতাৰ পৰা জানিব পাৰিছিল মহিপাল কিমান দক্ষ,ন্যায়বান আৰু বুদ্ধিবান ৰজা । সেয়েহে তেওঁ আনুমান কৰিব পাৰিছিল যেতিয়া তেওঁ সেনাপতি পদ লবলৈ দৰবাৰত প্ৰৱেশ কৰিব তেতিয়া তেওঁক বন্দীকৰা হব আৰু কঠোৰ শাস্তি দিয়া হব । সময়বোধে তেওঁক সাৱধান কৰি দিলে আৰু নিজৰ ভুলৰ কথা জানিব পাৰিলে । অৰাজকতাৰ সৃষ্টিকাৰী মাঞ্জলি ভট্টক বধ কৰিবলৈ তেওঁ পিছ নুহুহিকিল। তেওঁ সেই দন্ডৰে যোগ্য আছিল । তেওঁক মাৰি ভালেই কৰিলে ।"

ৰজাৰ মৌনতা ভঙ্গ হোৱাত বেতালে মৰা শটোৰে সৈতে অদৃশ্য হৈ গ'ল ।

প্ৰতিভা দেৱীৰ ৰচনাৰ ভিত্তিত

কাহিনীটো ঠিকমতে শেষ কৰা আৰু পুৰস্কাৰ লাভ কৰা ।

সৃজনাত্মক প্ৰতিযোগিতা

তলত এটা কাহিনীৰ আৰম্ভণি দিয়া আছে । তাত কাহিনীটোৰ সকলো উপাদানেই আছে । কিন্তু তুমি নিজ হাতে সেইটো সৃজন কৰিব লাগিব । তুমি কাহিনীটো কল্পনা কৰি ভালদৰে সজাই লৈ কাহিনীটো শেষ কৰিব লাগিব । লগতে এটা আকৰ্ষণীয় নামো । এইটো তুমি দুশৰ পৰা তিনিশ শব্দৰ ভিতৰত শেষ কৰিব লাগিব। কম বা বেচি হব নোৱাৰিব । সৰ্বশ্ৰেষ্ঠ প্ৰতিযোগীক আকৰ্ষণীয় পুৰস্কাৰ দিয়া হব আৰু কাহিনীটো এই পত্ৰিকাত প্ৰকাশ কৰা হব। এই প্ৰতিযোগিতা আমাৰ শিশু পাঠকসকলৰ বাবেহে । নিজৰ ঠিকনা (পিন কোডসহ) লিখিবলৈ নাপাহৰিবা ।

বহুদিন আগতে মহাবলী নামৰ এজন ধনী জমিদাৰ আছিল। তেওঁৰ পুত্ৰ বিজয় সিংহ এজন খুব ধুনীয়া আৰু গুণবান যুৱক আছিল । মহাবলীয়ে তেওঁৰ পুত্ৰৰ বাবে সিমানেই ধুনীয়া আৰু গুণৱতী ছোৱালী এজনী বিচাৰিছিল ।

মহাবলী এজন প্ৰতিপত্তিশালী লোক আছিল । সেয়েহে তেওঁৰ বহুতো ভাল বন্ধু আছিল । তেওঁলোকৰ ভিতৰত এজন আছিল শ্যামনাৰায়ণ । তেওঁৰ এখন কাপোৰাৰ দোকান আছিল । তেওঁ বিদ্যাবান অথবা ধনবান কোনোটোৱে নাছিল । কিন্তু তথাপি তেওঁৰ সত্যপূৰ্ণ সিদ্ধান্তবোৰক খুব সন্মান কৰিছিল । মহাবলী সিংহৰ যেতিয়াই কোনো সমস্যাই দেখা দিছিল ততালিকে তেওঁ শ্যামনাৰায়ণৰ ওচৰলৈ পৰামৰ্শ লবলৈ গৈছিল আৰু যেনেকুৱা সমস্যাই নহওক শ্যামনাৰায়ণে তাৰ এটা উপায় উলিয়াইছিল ।

শ্যামনাৰায়ণৰ দোকানলৈ যেতিয়া নতুন শাৰী আহিছিল তেতিয়া তেওঁ সেইবোৰ মানুহৰ ঘৰে ঘৰে লৈ গৈছিল । সেই বাবে তেওঁৰ সেই শাৰীবোৰ সোনকালে বিক্ৰী হৈছিল । এইদৰে তেওঁ ওচৰ-পাজৰৰ গাঁৱৰ মহিলা আৰু যুৱতী ছোৱালীৰ মাজত প্ৰসিদ্ধ হৈ পৰিছিল ।

এদিন মহাবলী সিংহই শ্যামনাৰায়ণক কলে-" বন্ধু, তুমিতো বেপাৰৰ কামত ঘূৰি ফুৰোতে বহুতো গাভৰু ছোৱালীক জানা, তুমি তেওঁলোকক সদায় দেখি থাকা । তুমি তেওঁলোকৰ ভিতৰৰে এজনী ভাল চাই মোৰ পুত্ৰ বোৱাৰী চাবাচোন ।"

"তোমাকনো কি লুকুৱাম, মইও সেইটোৱে ভাবি আছিলো।" শ্যামনাৰায়ণে উত্তৰ দিলে । পুনৰ তেওঁ মহাবলীক ক'লে -"বিন্ধ্য নগৰত থকা গঙ্গাদেৱৰ জীয়েক কামিনী আৰু প্ৰেমাপুৰ নিবাসী মহাদেৱ সিংহৰ জীয়েক দিব্যানী খুব ভাল ছোৱালী । তেওঁলোক খুব ধুনীয়া আৰু বুদ্ধিমতীও ।

"মইও সৌন্দৰ্য্য আৰু বুদ্ধিৰ প্ৰশংসক । কিন্তু মই সত্যবাদী আৰু সাৱধানীক হে অধিক গুৰুত্ব দিও । এতিয়া তুমি কোৱা সেই দুজনীৰ ভিতৰত কোনজনী বেচি বিশ্বাসী আৰু নিজৰ কৰ্ত্তব্যৰ প্ৰতি সজাগ ?" মহাবলীয়ে সুধিলে।

"বন্ধু, মোক এসপ্তাহ সময় দিয়া, মই জানি আহি তোমাক কম ।"শ্যামনাৰায়ণে কলে ।"

এতিয়া তোমালোকে চাব লাগিব তোমালোকে কেনেদৰে মহালীৰ প্ৰশ্নবোৰৰ উত্তৰ বিচাৰিবা আৰু শ্যামনাৰায়ণক কলৈ পঠাবা ? তেওঁ উত্তৰ বিচাৰি পোৱাত সফল হ'ল নে ?মহাবলী তেওঁৰ উত্তৰত সন্তুষ্ট হ'লনে ? কাহিনীটোৰ নাম এটা দিবলৈ নাপাহৰিবা । কাহিনীৰ ওপৰত সৃজনাত্মক প্ৰতিযোগিতা বুলি লিখিবা । শেষ তাৰিখ ২৫ জানুৱাৰী, ২০০১ । সৃজনাত্মক প্ৰতিযোগিতা

ভাৰত কি খোজ প্ৰশ্নাৱলীৰ উত্তৰ (ডিচেম্বৰ ২০০০)

১. *অ. বদ্ৰাকাশ্ৰম , আ. শ্ৰীৰঙ্গম , ই. শ্ৰীজগন্নাথ পুৰী*

ঈ. এলাহাবাদ, পৱিত্ৰ প্ৰয়াগ, উ. বদ্ৰীকাশ্ৰমৰ ওচৰত

২. *মাদুৰাই মিনাক্ষীদেৱী আৰু সুন্দৰেশ্বৰ ভগবান*

মৃত্যুঞ্জয়

বহুদিন আগৰ কথা । অৱন্তী নগৰত ৰামনাথ নামৰ এজন বেপাৰী আছিল । মানুহে কয় তেওঁ এজন সত্যবাদী আৰু বিশ্বাসযোগ্য ব্যক্তি । এদিন হঠাতে ৰামনাথৰ মৃত্যু হ'ল । সেয়েহে ব্যৱসায়ৰ সকলো কাৰ্য্যভাৰ তেওঁৰ পুত্ৰ মনোহৰৰ ওপৰত পৰিল ।

ৰামনাথে ব্যৱসায়ৰ কাৰণে বহুতো ধন ধাৰে লৈছিল । মনোহৰে যেতিয়া জানিব পাৰিলে তেওঁৰ পিতাকৰ সম্পত্তিৰ তুলনাত ঋণৰ পৰিমান অধিক তেতিয়া মনোহৰ চিন্তাত পৰিল । ইপিনে মনোহৰৰ বয়সো কম আৰু ব্যৱসায়ৰ কামতো অনভিজ্ঞ । তথাপি তেওঁ ভালদৰে ব্যৱসায়ৰ কাম চলাই কিছু ঋণ পৰিশোধ কৰিলে । কিন্তু ভাগ্যই তেওঁক লগ দিয়া নাছিল। সেয়েহে এবাৰ তেওঁৰ ব্যৱসায়ত বহুতো লোকচান হয় । ঋণ দিয়া মানুহবোৰেও ঋণ পৰিশোধ কৰাৰ বাবে তেওঁক তাগিদা দিলে । মনোহৰৰ নিজৰ জীৱনৰ ওপৰতে ধিক্কাৰ আহিল । তেওঁ এনেকুৱা এটা পৰিস্থিতিত পৰিছিল যে তেওঁৰ আত্মহত্যাৰ বাহিৰে আৰু কোনো পথ নাছিল । তেওঁ সিদ্ধান্ত কৰিলে হাবিৰ মাজলৈ গৈ তেওঁ নিজে বাঘৰ আহাৰ হব । তেতিয়াহলে তেওঁ ঋণৰ সমস্যাৰ পৰাও মুক্তি পাব । ইয়াকে স্থিৰ কৰি তেওঁ হাবিৰ ফালে যাবলৈ ধৰিলে ।

যেতিয়া তেওঁ হাবিৰ মাজৰ সুৰসুৰীয়া বাটেৰে গৈ আছিল হঠাতে বাঘৰ গোজৰণি শুনিবলৈ পলে । কিছুক্ষণৰ বাবে তেওঁৰ মনত ভয় লাগিল । কিন্তু অলপ পিছতে তেওঁ সাহস কৰি যাবলৈ ধৰিলে । অলপ যোৱাৰ পাছতে তেওঁ দেখিবলৈ পালে এটা বাঘ গছৰ

মহেশ কুমাৰ

মাজৰপৰা আহি তেওঁৰ সন্মুখতে ওলাল। লাহে লাহে বাঘটোৱে তেওঁৰ ফালে আগবাঢ়ি আহিবলৈ ধৰিলে। মনোহৰে চকু মুদি তাতে থিয় হৈ থাকিল আৰু বাঘৰ আক্ৰমণৰ বাবে প্ৰতিক্ষা কৰি ৰল। কিন্তু তেনে একো নঘটিল। বৰং বাঘটোহে ধপচকৈ মাটিত বাগৰি পৰা শব্দ শুনিবলৈ পালে।

মনোহৰে আচৰিত হৈ চকুমেলি দেখে যে বাঘটোৱে চটফটাই আছে। তাৰ বুকুত তীৰৰ আঘত লাগি ধাৰাসাৰে তেজ বৈ আছিল। তেওঁ চাৰিওফালে এবাৰ চালে। সেই সময়তে ধনুশৰ লোৱা এজন যুৱক তেওঁৰ ওচৰলৈ দৌৰি আহি কবলৈ ধৰিলে "তুমি বৰ ভাগ্যবান,এই বাঘটোৱে এতিয়ালৈকে কিমানৰ যে তেজ খাইছে। ৰাতিপুৱাৰ পৰাই ইয়াক মাৰিবলৈ চেষ্টা কৰি আছো।

মনোহৰে বিৰক্তি প্ৰকাশ কৰি কলে- "মই ইমান ভাগ্যবান নহয়। মই এজন অতি অভাগা। মই জঙ্ঘলৈ আহিছিলো বাঘৰ চিকাৰ হম বুলি।"

আচৰিত হৈ তেওঁৰ ফালে চাই চিকাৰী যুৱকজনে কলে - "অ'তুমি বনৰ মাজলৈ মৰিবলৈ আহিছা ? মই ইচ্ছা কৰিলে এতিয়াই শৰ মাৰি মাৰি পেলাব পাৰো। কিন্তু এইতোটো হত্যা। তাৰ বাবে মই শাস্তি ভোগ কৰিব লাগিব।"

কিছু সময় চিন্তা কৰি চিকাৰীয়ে পুনৰ কলে "শুনা,এই পাহাৰখনৰ ওপৰলৈ উঠি গৈ তাৰপৰা জাপ মাৰিলে তোমাৰ ইচ্ছা পূৰ্ণ হব।" এইবুলি কৈ সি চটফটাই থকা বাঘটোৰ ওচৰলৈ গ'ল।

চিকাৰীৰ পৰামৰ্শ মনোহৰৰ ভাল লাগিল আৰু তেওঁ পাহাৰৰ ওপৰলৈ উঠিবলৈ ধৰিলে। তেওঁ পাহাৰৰ শিখৰ পাও পাও হওতে দেখিবলৈ পালে দুটা পাহৰী ভেৰা ছাগলীয়ে সিহঁতৰ ভিতৰতে যুঁজ কৰি আছে। ছাগলীদুটা দেখি তেওঁ থিয় হৈ ৰল। এই সময়তে এটা ডাঙৰ শিল তেওঁৰফালে বাগৰি আহিবলৈ ধৰিলে। তাকে দেখি তেওঁ তাৰপৰা অলপ আতৰি গল। কিন্তু শিলটোৱে গৈ তাৰ ভৰিত খুন্দা মাৰি অইন ফালে বাগৰি গল। তেওঁ ভাৰিত দুখ পাই কেকাবলৈ ধৰিলে। ভাৰিৰ বিষৰ বাবে তেওঁ আৰু পাহাৰৰ শিখৰলৈ উঠিব নোৱাৰিলে।

তেওঁ ভাবিবলৈ ধৰিলে বাগৰি অহা শিলটোৰ তলত পৰি যাব লাগিছিল। কিন্তু ভয়তে আঁতৰি অহা বাবে আকৌ এবাৰ মৃত্যুৰ হাতৰ পৰা ৰক্ষা পৰিল। ইয়াৰ বাবে তেওঁৰ

মনত দুখ লগিল । মনোহৰে ভাবিলে অকল ব্যৱসায়ৰ ক্ষেত্ৰতে নহয় মৃত্যুৰ ক্ষেত্ৰতো দুৰ্ভাগ্যই তাৰ লগ এৰা নাই । এইবোৰ চিন্তা কৰি তেওঁৰ চকুপানী ওলাল ।

এইবাৰ তেওঁ আত্মহত্যাৰ বাবে অন্য নতুন উপায় চিন্তা কৰিবলৈ ধৰিলে । তেওঁ এটা সাপৰ গাঁত দেখিবলৈ পালে । একো নভবা নিচিন্তাকৈ তেওঁ সাপৰ গাঁতত হাত সোমাই দিলে । তেওঁ আশা কৰিছিল গাঁতৰ ভিতৰত থকা সাপে খঙতে তেওঁৰ হাতত খুঁটিব আৰু তাৰ বিষতে তেওঁৰ মৃত্যু হব ।

এইবাৰো তেওঁ মৃত্যুৰ হাতৰ পৰা ৰক্ষা পালে । কাৰণ,সেই সময়ত গাঁতৰ ভিতৰত সাপ নাছিল । তেওঁ হাতেৰে গাঁতৰ ভিতৰত খেপিয়াবলৈ ধৰিলে । তাত তেওঁ এটা আঙঠি পালে ।

নিজৰ ভাগ্যকে দোষ দি তেওঁ তাৰপৰা ওলাই আহিল । গাঁতত পোৱা আঙঠিটো আঙুলিত পিন্ধি ললে । সেইফালেৰে গৈ থকা দুটা ৰজাৰ সৈনিকে সেই আঙঠিটো দেখিবলৈ পালে । তেওঁলোকে মনোহৰক সুধিলে “তুমি আঙঠিটো কত পাইছা ?”মনোহৰে তেতিয়া তেওঁলোকক গোটেইবোৰ কথা কৈ শুনালে। কিন্তু সৈনিক দুজনে তাৰ কথা বিশ্বস নকৰিলে। তেওঁলোকে ভাবিলে মনোহৰে তেওঁলোকক মনে সজা কাহিনী কৈ শুনাইছে।

আচলতে সেই আঙঠিটো অৱন্তীৰ মহাৰাজ কীৰ্তিচন্দ্ৰৰ ৰাজ আঙঠি আছিল । এবাৰ তেওঁৰ ৰাজ অন্তঃ পুৰত চুৰি হৈছিল আৰু চুৰি হোৱা মাল বস্তুৰ লগতে এই আঙঠিটোও লৈ গৈছিল । কিন্তু ৰজাই নিজৰ মান সম্মানৰ কথা ভাবি চুৰি হোৱা কথাটো কাৰো আগত কোৱা নাছিল । মানুহে ভাবিব পাৰে যি ৰজাই নিজৰ ৰাজভৱন ৰক্ষা কৰিব নোৱাৰে, তেওঁ আৰু প্ৰজাক কেনেদৰে ৰক্ষা



কৰিব । কিন্তু ৰজাই গোপন ভাবে চোৰৰ সন্ধান কৰিবলৈ ধৰিলে ।

যি চোৰে ৰাজ অন্তঃপুৰত চুৰি কৰিছিল ৰাজ আঙঠিটো কোনোবাই চিনি পোৱাৰ ভয়ত সি সাপৰ গাঁতত পেলাই থৈ গৈছিল ।

সৈনিকসকলে মনোহৰক ৰজা কীৰ্ত্তিচন্দ্ৰৰ সন্মুখলৈ লৈ গ'ল । ৰজাই অতি মনোযোগেৰে মনোহৰৰ মুখৰ পৰা ভৰিলৈকে এবাৰ চালে আৰু সচাঁ কথাটো কৈ দিবলৈ কলে ।

মনোহৰে কলে -"মহাৰাজ । মই এই সংসাৰত সকলোতকৈ দুৰ্ভগীয়া লোক । নিজৰ ব্যৱসায়ী পিতৃয়ে এৰি থৈ যোৱা ঋণ পৰিশোধ কৰিবলৈ মইও ব্যৱসায় কৰিলো, কিন্তু তাতো লোকচান হ'ল । বাঘে খাই মাৰক বুলি অৰণ্যলৈ গলো, চিকাৰী এজন আহি বাঘক মাৰি পেলালে । পাহাৰৰ ওপৰৰ পৰা জাপ মাৰি আত্মহত্যা কৰো বুলি পাহাৰত উঠোতে এটা শিল বাগৰি আহি মোৰ ভৰিত আঘাত কৰিলে,সেয়েহে পাহাৰত উঠিব নোৱাৰিলো । অৱশেষত সাপে খাই মাৰক বুলি সাপৰ গাঁতত হাত সোমাই দিলো,কিন্তু তাতো সাপৰ সলনি এই আঙঠিটো পালো। এতিয়া এই সৈনিক দুজনে মোক অপৰাধী কৰি আপোনৰ সন্মুখত হাজিৰ কৰাইছে ।

ৰজাই আশ্চৰ্য্য প্ৰকাশ কৰি কলে, মৰিবলৈ তুমি ইমান চেষ্টা কৰিলা, তথাপিতো বাচি গ'লা, কথাটো মোৰ বিশ্বাস হোৱা নাই।"

মহাৰাজ মোৰ কথা বিশ্বাস কৰক । মোৰ অনুমান হৈছে মৃত্যুয়ে মোৰ পৰা পলাই ফুৰিছে। মোৰ লগত যেন লুকাভাকু খেলাইছে। ইমান চেষ্টাৰ পিছতো মোৰ ভাগ্যত মৃত্যু লিখা নাই । আপুনি যদি বিশ্বাস নকৰে এয়া চাওক," এইবুলি তেওঁ অন্তঃপুৰৰ পৰা তললৈ জাপ মাৰিলে ।

ৰজাৰ অনুমান হৈছিল এইবাৰ মনোহৰৰ নিশ্চয় মৃত্যু হব । মনতে দুখ অনুভব কৰি ৰজাই খিৰিকীৰে তললৈ চালে । কিন্তু তললৈ চাই ৰজা আচৰিত হ'ল ।

আচলতে মনোহৰে যেতিয়া জাপ মাৰিছিল সেই সময়ত এটা অশ্বাৰোহী সৈনিক সেইফালেৰে গৈ আছিল আৰু মনোহৰ গৈ তাৰ কান্ধাৰ ওপৰতে গৈ পৰিছিল, ফলত দুয়োজনেই ঘোঁৰাৰ পৰা মাটিত পৰি গৈছিল। সেয়েহে মনোহৰৰ একো ন'হল, কিন্তু সৈনিকজনৰ কঁকাল ভাগিল ।

মনোহৰে মাটিৰ পৰা উঠি ধুলি জোকাৰি

জোকাৰি ওপৰৰ ফালে চাই খিৰিকীমুখত ৰজাক দেখি কলে, "এতিয়াতো মোৰ কথা বিশ্বাস কৰক ।"

যিজন সৈনিকৰ কঁকাল ভাগিছিল বৈদ্যই তাৰ চিকিৎসা কৰাৰ সময়ত তাৰ কঁকালত লুকাই ৰখা এখন চিঠি পালে । তাত ৰাজ্যৰ সৈন্য বিভাগ আৰু ৰজা কীৰ্ত্তিচন্দ্ৰৰ কিছুমান গোপনীয় তথ্য আছিল ।

চিঠি পঢ়ি ৰজাই বুজি পালে এই কাম তেওঁৰে সৈন্য বিভাগৰ কোনোবাই কৰিছে । তাৰমানে তেওঁৰ বিৰুদ্ধে কোনোবাই ষড়যন্ত্ৰ কৰিছে । বিক্ৰম সিংহই তেওঁৰ ৰাজ্য আক্ৰমণ কৰিবলৈ পৰিকল্পনা কৰি আছে । এই কামত তেওঁৰ সেনাপতিও যোগ আছে । এই সেনাপতিয়েই বিক্ৰম সিংহৰ গুপ্তচৰ ।

আহত সৈনিকটোক যেতিয়া এই বিষয়ে সোধা হ'ল তেওঁ স্বীকাৰ কৰিলে যে তেওঁ বিক্ৰম সিংহৰ গুপ্তচৰ ।

কীৰ্ত্তিচন্দ্ৰৰ এই কথা বুজাত পলম ন'হল, যদি বিক্ৰম সিংহই এই গোপন তথ্য পালেহেতেন তেতিয়াহলে আমাৰ ৰাজ্য আক্ৰমণ কৰি পৰাজিত কৰিলেহেতেন । এই মনোহৰৰ বাবেই সকলো ৰহস্য ওলাই পৰিল। সেয়েহে ৰজাই মনোহৰক একলাখ টকা দি কলে "যোৱা এই টকাৰে ব্যৱসায় কৰি ঋণ পৰিশোধ কৰা গৈ । আজিৰ পৰা তোমাৰ দুৰ্ভাগ্য দূৰ হব আৰু তোমাৰ সৌভাগ্য উদয় হব ।" সেই দিনাৰ পৰা মনোহৰে ব্যৱসায়ত দোপত দোপে উন্নতি কৰিবলৈ ধৰিলে ।

মহাৰাজ কীৰ্ত্তিচন্দ্ৰই মনোহৰৰ উন্নতি দেখি খুব সন্তুষ্ট হ'ল । মনোহৰৰ বাবেই ৰাজ্যখন ৰক্ষা পৰা বাবে ৰজাই তেওঁক খুব ভাল পাইছিল । ৰজাই এদিন তেওঁক এইদৰে বুজাই কলে - "মৃত্যু আমাৰ বশ নহয় । জীৱনৰ সমস্যাৰ লগত যুদ্ধ কৰি যিয়ে জীৱনত জয়লাভ কৰে তেওঁৱেই হে সঁচা মানুহ।"

ৰজাৰ টকাৰে তেওঁ ব্যৱসায় কৰি ঋণ পৰিশোধ কৰিলে । মানুহে তেওঁৰ পিতাকৰ দৰে তেওঁকো বিশ্বাসযোগ্য ব্যৱসায়ী বুলি কলে।

এক মহান সভ্যতাত এভূমুকি
যুগে যুগে সত্যৰ বাবে গৌৰৱময় অনুসন্ধান

১০. প্ৰেমৰ জয়, মৃত্যুৰ পৰাজয়

সেইদিন সন্দীপৰ জন্মদিন আছিল । সেয়েহে দহ বাৰজন বন্ধু আবেলি তেওঁৰ ঘৰত লগ হ'ল । জন্ম দিনৰ উৎসৱ শেষ হোৱাৰ পিছত সম্মুখৰ বাগিচাৰ এডাল গছৰ তলত সকলোৱে গোট খালে ।

"ককাদেউতা আপুনি গান ভাল পায়, নহয়নে? মোৰ বন্ধুসকলৰ ভিতৰত দুজনে খুব ভাল গান গায় । মোৰ বিশ্বাস, আপুনি সিহঁতৰ গান শুনিলে খুব ভাল পাব ।" শ্যামলাই ককা দেৱনাথক কলে ।

"আচ্ছা, এই কথা ! তেতিয়াহলে বলা, "এইবুলি দেৱনাথ শ্যামলাৰ পিচে পিচে গ'ল।

তেওঁ গৈ পোৱাৰ আগতে ল'ৰা ছোৱালী বোৰে এডাল গছৰ তলত তেওঁৰ বাবে এখন চকী পৰি থৈছিল । সকলোৱে ককাদেউতাক প্ৰণাম কৰিলে । তেওঁ বহাৰ পাছত সকলোবোৰ ল'ৰা ছোৱালীয়ে মাটিত বহি ললে ।

শ্যামলাৰ লগত পঢ়া দুজনী ছোৱালীয়ে "হে জয় ৰঘুৰ নন্দন" গীতটো সুমধুৰ সুৰে গালে ।

"তোমালোক দুজনীয়ে খুব সুন্দৰ গাইছা। মই তোমালোকৰ পৰা এনে উপহাৰ আশাকৰা নাছিলো ।" ককা দেৱনাথে ক'লে।

"আমি গান শুনালো, ইয়াৰ বাবে আপুনি আমাক কি উপহাৰ দিব ককা?" ছোৱালী দুজনীয়ে সুধিলে । তেওঁলোকে এই প্ৰশ্ন কৰাৰ পাছত সকলোৱে হাত তালি দিলে।

"কোৱাচোন, তোমালোকক কি লাগে। এতিয়াই কিনি আনিম । চকলেট নে আইচক্ৰিম লাগে? নে অন্য কিবা লাগে? তৎক্ষণাত কোৱা ।" দেৱনাথে মৰমেৰে সুধিলে ।

"আমি এতিয়াই সেইবোৰ খাইছো । আমাৰ সেইবোৰৰ আৱশ্যক নাই ।" তেওঁলোকে কলে ।

"তেতিয়াহলে কি লাগে কোৱা?" ককা দেৱনাথে সুধিলে ।

"এটাই লাগে, যিটো আপোনাৰ বাহিৰে

কোনেও দিব নোৱাৰে। সেইটোৱে লাগে।" তেওঁলোকে ক'লে।

"তেতিয়াহলে সেইটোনো কি?" ককাকে সুধিলে।

"কাহিনী, ককা কাহিনী। ভাৰতৰ সংস্কৃতি জৰিত কাহিনী আমি শুনিব বিচাৰো।" সকলোৱে একে লগে ক'লে।

অধ্যাপক দেৱনাথে সকলোৰে ফালে চাই এবাৰ হাঁহিলে।

"ককা, আপুনি ইয়াৰ আগতে মাৰ্কণ্ডেয়ৰ কাহিনী শুনাইছিল। তেতিয়া আপুনি কৈছিল মৃত্যুঞ্জয়ী সকলৰ ভিতৰত মাৰ্কণ্ডেয়ও এজন। সেই সময়ত আপুনি এইটোও কৈছিল যে এনেকুৱা বহুত মহানুভৱ আছে যিয়ে মৃত্যুলোকলৈ গৈছে আৰু মৃত্যুঞ্জয়ী হৈ উভতি আহিছে। এনেকুৱা এজন অমৰ ব্যক্তিৰ কাহিনী শুনাওক ককা।" ল'ৰা ছোৱালী বোৰে ককাক অনুৰোধ কৰিলে।

"নিশ্চয় শুনাম।" ইয়াকে কৈ কাহিনী আৰম্ভ কৰিলে।

অৰণ্যৰ ওচৰৰ এখন আশ্ৰমত এজন মুনি পুত্ৰ আছিল। তেওঁৰ নাম আছিল রুৰু। তাত থকা মুনিসকলৰ তেওঁ সেৱা শুশ্ৰূষা কৰিছিল। আৰু তেওঁলোকৰ পৰা রুৰুৱে সকলো বিদ্যা শিকিছিল। সকলোবোৰ শাস্ত্ৰই তেওঁ অধ্যয়ন কৰিলে। সৎ ব্যৱহাৰৰ বাবে রুৰু সকলোৰে প্ৰশংসাৰ পাত্ৰ হ'ল।

সেই আশ্ৰমত প্ৰমদ্বৰা নামৰ এজনী কন্যা আছিল। তাই খুব নম্ৰ আৰু ধুনীয়া আছিল। লাহে লাহে রুৰু আৰু প্ৰমদ্বৰা যৌৱনত ভৰি দিলে। দুয়ো ইজনে সিজনৰ প্ৰতি আকৰ্ষিত হ'ল। দুয়োৰে হৃদয়ত প্ৰেম জাগিল। ডাঙৰৰ আশীৰ্বাদ লৈ বিয়া কৰাবলৈ তেওঁলোকে সঙ্কল্প কৰিলে।

ভাবী পত্নীক এধাৰ ফুলৰ মালা দিয়াৰ উদ্দেশ্যেৰে এদিন ৰাতিপুৱা রুৰু অৰণ্যৰ ফালে ওলাই গ'ল। সেই দিনত প্ৰকৃতিৰ দ্বাৰা প্ৰদত্ত এই ফুলবোৰক স্বৰ্ণ অলঙ্কাৰতকৈও বেচি গুৰুত্ব দিয়া হৈছিল।

স্নান কৰিবলৈ নদীলৈ যোৱাৰ পথত প্ৰমদ্বৰাই রুৰুৰ কুটিৰলৈ গৈ চালে, কিন্তু ভিতৰত দেখা নাপালে। তাই ভাবিলে রুৰু অৰণ্যলৈ গৈছে কিজানি। তাইও রুৰুক বিচাৰি অৰণ্যলৈ গ'ল। ইয়াৰ আগতে প্ৰমদ্বৰাই রুৰুক সাৱধান কৰি দিছিল ফেহুজালি দিয়াৰ আগতে তেওঁ যেন অৰণ্যলৈ নাযায়। কাৰণ সেই সময়ত ক্ৰুৰ হৰিণাবোৰে তাত চৰি ফুৰে। তথাপিতো তেওঁক চাবলৈ প্ৰমদ্বৰা অৰণ্যৰ ফালে গ'ল।

তাই দূৰৰ পৰাই দেখিলে রুৰুৱে ফুল চিঙি

আছে । বট গছৰ এডাল শিপাৰ ওচৰত এক ৰমণীয় ভংগিমাত প্ৰমদ্বৰাক থিয় হৈ থকা দেখি ৰুৰুৰ আনন্দৰ সীমা নোহোৱা হ'ল । কিন্তু তাই তাৰ ওচৰলৈ নগ'ল ।

প্ৰমদ্বৰা ৰুৰুৰ ওপৰত অসন্তুষ্ট হ'ল । ৰুৰুই ভাবিছিল যেতিয়া তেওঁ এই ফুলবোৰ তেওঁৰ প্ৰিয়তমাক দিব তেতিয়াই তাইৰ খং বতাহত উৰি যাব আৰু তেওঁক স্বাগতম জনাব। কিন্তু দুৰ্ভাগ্যবসত এনেকুৱা একো নহ'ল ।

প্ৰমদ্বৰাই মাটিৰে বগাই যোৱা কিবা এটা প্ৰাণী দেখি ভয়তে চিঞৰ মাৰি মাটিত পৰি গ'ল। ৰুৰু তৎক্ষণাত সেইখিনি পালে । এটা ডাঙৰ সাপ খুব জোৰে বগাই জাৰণিৰ ভিতৰলৈ সোমাই গ'ল । সেইটো ভয়ঙ্কৰ বিষাক্ত সাপ আছিল । সি দংশন কৰিলে কোনো জীৱিত থকা সম্ভৱ নহয় । ৰুৰুৱে তাইক কোলাত তুলি ললে আৰু মাতিবলৈ ধৰিলে । কিন্তু কোনো লাভ নহ'ল, তেতিয়ালৈকে তাইৰ মৃত্যু হৈছে ।

ৰুৰুৰ অনুমান হ'ল এটা ক্ষণৰ বাবে যেন সময় স্তব্ধ হৈ গৈছে । ইয়াৰ পাছত ৰুৰুৱে প্ৰেয়সীক জীয়াই তুলিবলৈ দৃঢ় সংকল্প কৰিলে। গোটেই দিনটো ৰুৰু তাতে বহি থাকিল আৰু প্ৰেয়সীৰ প্ৰাণ দান দিবলৈ দেৱ দেৱীসকলক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে ।

মাজ ৰাতি দিব্যজ্যোতিৰে সৈতে আহি কামদেৱে তেওঁক দেখা দিলে । অকস্মাতে ঘটা এই ঘটনাত প্ৰেমিকৰ হৃদয় নিজৰ প্ৰেয়সীৰ বাবে কিমান আকুল হয় কামদেৱৰ সেইটো অজানা নহয় । তেওঁৰ হৃদয়ত ৰুৰুৰ প্ৰতি সহানুভূতিৰ উদ্ৰেক হয় । তেওঁ ৰুৰুক এক ৰহস্যৰ কথা কয়, যাৰদ্বাৰা তেওঁ মৃত্যুলোকলৈ গৈ প্ৰেয়সী প্ৰমদ্বৰাৰ আত্মাটো দেখাৰ শক্তি প্ৰাপ্ত হব পাৰে ।

ৰুৰুৱে মৃত্যুলোকত প্ৰৱেশ কৰিলে আৰু প্ৰমদ্বৰাৰ আত্মাটো চিনি পালে । কিন্তু মৃত্যুলোকৰ যমদূতে তেওঁক প্ৰমদ্বৰাৰ লগত কথা হব নিদিলে । ৰুৰু আৰু যমদূতৰ লগত বহুত সময় কথা হ'ল । অৱশেষত যমৰাজ আহি তেওঁৰ পবিত্ৰ প্ৰেম দেখি সন্তুষ্ট হৈ প্ৰমদ্বৰাক জীয়াই দিব বুলি কথা দিলে । কিন্তু তাৰ বাবে তেওঁ এটা সৰ্ত ৰাখিলে । প্ৰমদ্বৰাৰ আয়ুস শেষ হৈছে । যদি ৰুৰুৱে নিজৰ আধা আয়ুস প্ৰমদ্বৰাক দিয়ে তেতিয়াহে তাই পুনৰ জীৱিত হব পাৰে । ৰুৰুৱে যমৰাজৰ এই সৰ্তত সন্মতি প্ৰদান কৰিলে আৰু নিজৰ আধা আয়ুস প্ৰমদ্বৰাক দিলে ।

ইয়াৰ পিছতেই প্ৰমদ্বৰা উঠি বহিল । অনুমান হ'ল যেন এতিয়াই তাই টোপনীৰ পৰা সাৰ পাইছে । দুয়োৰে বিবাহ কাৰ্য্য সম্পন্ন

হ'ল আৰু তেওঁলোকে আদৰ্শ দাম্পত্য জীৱন কটালে । অমৰ প্ৰেমী হিচাবে তেওঁলোক বিখ্যাত হ'ল ।

কাহিনীটো শেষকৰি দেৱনাথে ল'ৰা ছোৱালীবোৰক সুধিলে "তোমালোকে কাহিনীৰ আঁৰত থকা সাৰমৰ্ম বুজি পাইছানে?"

"এইটো এটা অদ্ভুত কাহিনী, কিন্তু আমি বুজিব পৰা নাই "সেই..." এই বুলি কৈ ৰৈ গ'ল ।

"আমি সাধাৰণতে জানো জন্ম আৰু মৃত্যু দুয়োটা পৰস্পৰ বিৰোধী । সঁচা কবলৈ হলে মৃত্যু নিৰ্দিষ্ট জীৱনৰ এটা ৰূপ । মৃত্যুৰ একমাত্ৰ বিৰোধী হ'ল প্ৰেম । যেতিয়া কোনো ব্যক্তিৰ মৃত্যু হয় তেতিয়া সেই ব্যক্তিৰ প্ৰতি আমাৰ যি স্নেহ আৰু প্ৰেম, সেই অনুপাতে আমাৰ বিষাদ আৰু শোকে আমাক এই সত্য শিকাইছে । প্ৰেম কেতিয়াও নমৰে । প্ৰেম অমৰ । ত্যাগ হৈছে তাৰ প্ৰাণ ।

আমাৰ পুৰাণবোৰত থকা কাহিনীৰ ভিতৰত এনেধৰণৰ আৰু এটা কাহিনী আছে। তোমালোকে কব পাৰিবানে সেই কাহিনীটো কি?" ইয়াকে কৈ অধ্যাপক দেৱনাথ ৰৈ গ'ল ।

"সাবিত্ৰী সত্যবানৰ কাহিনীৰ কথাকে আপুনি কৈছে, নহয় নে?" এজন ল'ৰাই কলে।

"হয়, তুমি ঠিকেই কৈছা । তুমি এই কাহিনীটো মহাভাৰতত পঢ়িছা নেকি?" ককা দেৱনাথে সুধিলে ।

"নহয় ককা, মোৰ মায়ে শ্ৰীঅৰবিন্দই ৰচিত 'সাবিত্ৰী' কাব্য সদায় পঢ়ে ।" ল'ৰাজনে কলে।

"অতি উত্তম । মহাযোগী তথা মহাকবি শ্ৰীঅৰবিন্দই সেই কাব্যত অতি সুন্দৰ ভাবে সেই কাহিনী বৰ্ণনা কৰিছে । তোমালোক সকলোৱে ছাগে সেই কাহিনীটো জানাই । মই এই কাহিনীটো নকলেও হব কিজানি ।" দেৱনাথে কলে ।

"নহয় ককা । আমাৰ বহুতে এই কাহিনীটো নাজানে । এই কাব্যৰ বিষয়েও আমাৰ মাজৰ বহুতে নাজানে ।" তেওঁলোকে ককাকক কলে ।

"তেতিয়াহলে এই কাহিনীটো তোমালোকক মই নিশ্চয় কম । কিন্তু আজি আৰু নহব । অন্য এদিন কম । এতিয়া গৈ পঢ়াৰ টেবিলত বহা গৈ ।" ইয়াকে কৈ ককা দেৱনাথ যাবলৈ উঠিল ।

সৃজনাত্মক প্ৰতিযোগিতা

গুৰুৰ যাত্ৰাৰ বাবে এটা ঘোঁৰা কিনিবলৈ শিষ্যসকলৰ খুব ইচ্ছা আছিল । তেওঁলোকে ঘোঁৰা কিনিবলৈ এখন হাটলৈ গ'ল । তেওঁলোকে দেখিলে ঘোঁৰাৰ দাম খুব বেচি আৰু ইমান দাম দি ঘোঁৰা কিনা তেওঁলোকৰ বাবে সম্ভৱ নহয় । সেয়েহে এটা উপায় বিচাৰিলে । তেওঁলোকে তৎক্ষণাত এটা সিদ্ধান্ত ললে যে ঘোঁৰাৰ এটা কণী কিনা যাওক, সস্তাতে পোৱা যাব । শিষ্যসকলৰ এই অদ্ভুত সিদ্ধান্তত গুৰু বহুত প্ৰভাৱিত হ'ল আৰু তেওঁ শিষ্যসকলক বাহ্ বাহ্ দিলে । ইয়াৰ পাছত শিষ্যসকলৰ চেষ্টাৰ কি ফল পোৱা গ'ল ?

পুৰস্কাৰ প্ৰাপ্ত কাহিনী

মহাজ্ঞানী মহাশিষ্য

গুৰুৰ প্ৰশংসা পাই শিষ্যসকল কণী বিচাৰি হাবিলৈ গ'ল । তেওঁলোকৰ এজনে গৰখীয়া এজনক মাতি সুধিলে- " ঘোঁৰাৰ কণী ক'ত পোৱা যাব ?" সি হাঁহি হাঁহি কলে, " ঘোঁৰাইও কৰবাত কণী পাৰে নেকি ?" হাবিলৈ যোৱা । তেওঁলোকে আগবাঢ়ি গৈ থাকিল আৰু এটা সাধুই গছৰ তলত ধ্যানমগ্ন হৈ বহি থকা দেখিলে । তেওঁলোকে সাধুকো সেই প্ৰশ্নই সুধিলে । সাধুয়ে চকুমেলি কলে" তোমালোক ' মহাজ্ঞানী' যেন অনুমান হৈছে । তোমালোক কাৰ শিষ্য ?" শিষ্যসকলে কলে, " এইটোও কিবা কোৱাৰ কথা নেকি ? আমি এজন মহাজ্ঞানী গুৰুৰ শিষ্য ।" তেওঁলোকৰ উত্তৰ শুনাৰ পাছত সাধুৱে পুনৰ চকুমুদি ধ্যানমগ্ন হ'ল । তেওঁ তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ দিয়া আৱশ্যক বোধ নকৰিলে ।

কিছুদূৰ যোৱাৰ পাছত তেওঁলোকে এজন মানুহ লগ পালে । তেওঁ এজন ঠগ আছিল । শিষ্যসকলক দেখি তেওঁ বুজিব পাৰিলে সিহঁত মূৰ্খ । শিষ্যসকলে যেতিয়া ঘোঁৰাৰ কণীৰ কথা সুধিলে তেতিয়া তেওঁ কলে, "আপোনালোকক ঘোঁৰাৰ কণী লাগেতো ? এতিয়াই লৈ আহিছোঁ ।" তেওঁ তৎক্ষণাত পাহাৰখনৰ পিছফালে গ'ল আৰু কণীৰ সমান ডাঙৰ এটা বগা শিল লৈ আহিল আৰু সেইটো ঘঁহি কণীৰ দৰে কৰিলে । সেইটো সিহঁতক দি কলে " সাৱধানে লবা, এই কণীৰ পৰা যিকোনো সময়তে ঘোঁৰাৰ পোৱালি ওলাব পাৰে । এই পোৱালিটো ডাঙৰ হলে আপোনালোকক উঠাই লৈ পৃথিবীখন ঘূৰাই লৈ ফুৰাব ।" এইবুলি কৈ তেওঁ তাৰ পৰা গ'ল ।

শিষ্যকেইজনে কণীটো লৈ তাৰ পৰা ওলাই আহিল । কিন্তু দুৰ্ভাগ্যক্ৰমে কণীটো মাটিত পৰি গ'ল । সেইটো পৰা শব্দ শুনি ওচৰৰে জাৱণিত লুকাই থকা শহাপহু এটা তাৰ পৰা ভিৰাই লৰ মাৰিলে । "ধৰা,ধৰা,পলাব নিদিবা" বুলি কৈ শিষ্যসকলে তাৰ পিছে পিছে দৌৰিবলৈ ধৰিলে । চাওতে চাওতে শহাটো নেদেখা হ'ল । তেতিয়া তেওঁলোকে তাত ঘাঁহ খাই থকা এটা গাধ দেখিবলৈ পালে । তেওঁলোকে আচৰিত হৈ কবলৈ ধৰিলে "বাহ ! তৎক্ষণাত কিমান ডাঙৰ হ'ল, খুব ভাল জাতৰ ঘোঁৰা যেন লাগিছে ।

তেওঁলোকে গাধটো ধৰি লৈ আশ্ৰমলৈ আহিল । তেওঁলোকে তাৰ ওপৰত গুৰুক উঠাই লৈ গোটেই নগৰখন ঘূৰালে । তেওঁলোকৰ কাৰ্য্য দেখি মানুহে হাঁহিবলৈ ধৰিলে । কিছুমান লোকে ঢোল বজায় তেওঁলোকৰ পিছে পিছে আহিবলৈ ধৰিলে । ঢোলৰ শব্দ আৰু মানুহৰ চিঞৰ শুনি গাধটোয়ে ভয় খালে আৰু গুৰুক পেলাই থৈ দৌৰি পলাই গ'ল ।

গুৰু আৰু শিষ্যৰ এই অজ্ঞানতাৰ বাবে মহাজ্ঞানী গুৰুৰে অপমান হ'ল আৰু তেওঁ মানুহৰ হাঁহিয়াতৰ পাত্ৰ হ'ল ।

বী.প্ৰৱীণ

চান্দমামাৰ বিশেষ আকৰ্ষণ

কুৰি শতিকাৰ ভাৰত

স্বাধীনতাৰ ফাললৈ গমন -১৯০১-১৯২১

কিছুদিন আগতে ভাৰতৰ স্বাধীনতাৰ সোণালী জয়ন্তী সোঁৱৰণী সংখ্যাত এই আলোচনীয়ে ঝাঁচিৰ ৰাণী লক্ষ্মীবাঈৰ নেতৃত্বত চলোৱা স্বাধীনতা সংগ্ৰাম আৰু অন্যান্য কাহিনী প্ৰকাশ কৰিছিল । মাতৃভূমিৰ হকে তেওঁলোকে কেনেদৰে জীৱন বলি দিছিল "১৮৫৭ চনৰ কাহিনী"ত পোৱা যায় । এটা শতিকাৰ পিছৰ ২৫ বছৰত মানুহৰ আকাঙ্খাৰ সংযোগ ঘটাবলৈ সংগঠিত ৰূপত কোনো আন্দোলন হোৱা নাছিল ।

ঘটনাক্ৰমে বৃটিছ চৰকাৰৰ এজনা প্ৰাক্তন বিষয়া এ.ও.হিউমে এটা সংগঠনৰ বীজ সিঁচিছিল, য'ত মানুহে ভৱিষ্যতৰ কথা আলোচনা কৰিব পাৰে আৰু সিদ্ধান্ত লব পাৰে । সেইটোৱে হ'ল ১৮৮৫ চনত গঢ়ি উঠা 'ভাৰতীয় জাতীয় কংগ্ৰেছ' । ইয়াৰ মাজেৰে বাল গঙ্গাধৰ তিলক, গোপাল কৃষ্ণ গোখলে,লালা লাজপত ৰায় আৰু বিপিন চন্দ্ৰ পাল আদিয়ে ভাৰতীয় চিন্তাধাৰাৰ পথ দেখুৱাইছিল ।

ভাৰতীয় জাতীয়তাবাদৰ বিস্তাৰ

ভাৰতলৈ কুৰি শতিকাৰ আগমন হৈছিল দুৰ্ভিক্ষৰ মাজেদি । দেশৰ চাৰি ভাগৰ এভাগ মানুহ ইয়াৰ কবলত পৰিছিল । খেতিৰ মাটিত জলসিঞ্চন সম্পৰ্কে অধ্যয়ণ কৰিবলৈ এটা আয়োগ গঠন কৰা হৈছিল । কৃষি বেঙ্ক প্ৰবৰ্তন কৰিবলৈও এটা কমিটি গঠন কৰা হৈছিল ।

ভাৰতীয়সকলৰ বাবে প্ৰশাসনিক সংস্কাৰ যদিও ভাবিব নোৱাৰা বিষয়, ৰাজ্যবোৰৰ শাসকসকলে কিন্তু সামজিক সংস্কাৰত হাত দিছিল । উদাহৰণ স্বৰূপে, বৰোদাৰ গাইকোৱাড়ে বাল্য বিবাহ প্ৰতিৰোধ আইন প্ৰবৰ্তন কৰিছিল । ল'ৰা আৰু ছোৱালীৰ বিয়াৰ বয়স ক্ৰমে ১৬ আৰু ১২ বছৰলৈ বৃদ্ধি কৰিছিল ।

অষ্টম শতিকাত যিসকল পাৰ্চিলোক পাৰস্যৰ পৰা ভাগি আহি ভাৰতত থিতাপি লৈছিল তেওঁলোকেও ভাৰত বাসীৰ আশা আকাঙ্খাৰ লগত মিলি গৈছিল । তেওঁলোকৰ ভিতৰতো বহুত দেশ-প্ৰেমিক আছিল। জামছেদজী টাটা এজন ভৱিষ্যত পৰি-কল্পনাকাৰী লোক আছিল । তেওঁৰ উদ্দেশ্য আছিল এখন ঔদ্যোগিক ভাৰত গঢ়াৰ । ১৯০১ চনত বিহাৰৰ সাকছিত তেওঁ ভাৰতৰ প্ৰথমটো ষ্টিল মিল প্ৰতিষ্ঠা কৰিছিল। ছয় বছৰ পিছত সেইটোৰ নাম দিয়া হৈছিল 'টাটা আইৰণ এন্ড ষ্টিল মিল' আৰু ঠাইখনৰ নাম হৈছিল জামছেদপুৰ ।

টাটা

আৰৌ এগৰাকী পাৰ্চী হ'ল, মেডাম ভিকাজী কমা, তেওঁ কংগ্ৰেছৰ বাৰ্ষিক সভাবোৰত উপস্থিত আছিল । তেওঁ ভাৰতীয় জাতীয়তাবাদৰ বাতৰি বিলাবলৈ ১৯০২ চনত উৰাজাহাজত উঠি বিশ্ব ভ্ৰমণ কৰিছিল । তেওঁ জাৰ্মানীৰ ষ্টুগাৰ্টলৈ গৈছিল । তাত তেওঁ দ্বিতীয় ইন্টাৰনেশ্বনেল চোচিয়েলিষ্ট কংগ্ৰেছত ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰিছিল, যিখন পিছলৈ ভাৰতৰ জাতীয় পতাকা হৈছিল । সেই পতাকাখনক সন্মান জনোৱাসকলৰ ভিতৰত এজন আছিল লেনিন, যিয়ে ৰুছ বিপ্লৱৰ নেতাসকলৰ ভিতৰত অন্যতম আছিল । মেডাম কমাক ভাৰতীয় বিপ্লৱৰ মাতা বুলি কোৱা হয় ।

মোডাম কমা

১৯০১ চনত ইংলেন্ডত ৭ম এডৱাৰ্ডে সিংহাসনত আৰোহণ কৰিছিল । তেওঁ

১৯০৩ চনত ভাৰতবৰ্ষলৈ আহে আৰু দিল্লীত তেওঁক ভাৰতৰ সম্ৰাটৰ মুকুট পিন্ধোৱা হয়। তেওঁ ভাৰতৰ দুৰ্ভিক্ষ পিড়িত ৰাজ্যবোৰলৈ দিয়া ঋণৰ সুত ৰেহাই দিছিল। বিহাৰৰ পুচাত দি ইম্পেৰিয়েল এগ্ৰিকাল-চাৰেল ৰিচাৰ্চ ইনচ্‌টিটিউট প্ৰতিষ্ঠ কৰা হৈছিল (এতিয়া সেইটো ইণ্ডিয়ান কাউন্সিল অব এগ্ৰিকালচাৰেল ৰিচাৰ্চ হিচাবে জনা যায় আৰু এইটো নতুন দিল্লী অৱস্থিত।)

- কলিকতাৰপৰা ১৩০ কি.মি. উত্তৰে বোলপুৰত ৰবীন্দ্ৰনাথ ঠাকুৰে 'শান্তিনিকেতন' প্ৰতিষ্ঠা কৰিছিল।
- ভৰতীয় উদ্ভিদ্‌বীদ চাৰ জগদীশ চন্দ্ৰ বসুই লণ্ডনৰ ৰয়েল চোচাইটিত দিয়া ভাষণত

প্ৰথম বাৰৰ বাবে প্ৰকাশ কৰিছিল উদ্ভিদবোৰ জীৱন আছে, উদ্ভিদেও আবেগ অনুভূতি প্ৰকাশ কৰিব পাৰে।

পৃথিবীৰ অন্যান্য ঠাইত



- ৰাইট ভাতৃদ্বয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নৰ্থ কালিফৰ্নিয়াত মিলিত হৈ তেওঁলোকৰ কিট্টি হক প্লেনত আকাশলৈ গৈছিল।

- হেনৰি ফোৰ্ড নামৰ এজন খেতিয়কৰ ল'ৰাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ ডেট্ৰইটত প্ৰথম গাড়ী নিৰ্মাণ কাৰখানা এটা প্ৰতিষ্ঠা কৰি সেই দেশৰ শিল্প বিপ্লৱৰ সূচনা কৰিছিল।

শক্তিশালী বৃটিছ বিৰোধী অভিযান

কংগ্ৰেছৰ বাৰ্ষিক অধিবেশনৰ মূল আৰ্কষণ আছিল এখন ঔদ্যোগিক প্ৰদৰ্শনী । এইখন প্ৰথমতে আহমদাবাদত (১৯০২) আৰু পিছত মাদ্ৰাজত (১৯০৩) পতা হৈছিল ।

কৃষি, শিল্প আৰু বেঙ্কিং ক্ষেত্ৰত সমবায় গঠন কৰিবলৈ মানুহক উৎসাহিত কৰাৰ উদ্দেশ্যেৰে ১৯০৪ চনত ভাৰতীয় সমবায় আইন বলবৎ কৰা হয় ।

ত্ৰিবাঙ্কুৰ আছিল ভাৰতৰ প্ৰথম ৰাজ্য,যিয়ে সকলো শ্ৰেণীৰ শিশুৰ বাবে প্ৰাথমিক শিক্ষা বিনামূলীয়া কৰিছিল ।

১৯০৫ চনত বঙ্গদেশক দুভাগ কৰা হৈছিল । সেয়া হ'ল - পূৰ্ববঙ্গ (অসমকে ধৰি,ৰাজধানী ঢাকা) আৰু পশ্চিমবঙ্গ (বিহাৰ আৰু উৰিষ্যাৰ কিছু অংশ ধৰি, ৰাজধানী কলিকতা) ।

চাৰকাৰী ভাবে কোৱা হৈছিল এইবোৰ কৰা হছে প্ৰশাসনিক সুবিধাৰ বাবে, কিন্তু মানুহে ভাবিছিল এইটো কৰা হৈছিল মুছলমান অধ্যুসিত অঞ্চল সমূহ ৰাজধানী কলিকতা চহৰৰ পৰা দূৰত ৰখাৰ উদ্দেশ্যেৰে ।

স্বাভাৱিকতে মানুহৰ মাজত ক্ষোভ হৈছিল আৰু ইয়ে বৃটিছ বিৰোধী ভাব এটা গঢ়ি তুলিছিল । দেশজুৰি হৰতাল আৰু বিদেশী বস্তু বৰ্জন কৰা হৈছিল । স্বাধীনতা যুদ্ধৰ আগত আছিল বেঙ্গল ।

চৰকাৰে কৃষি ক্ষেত্ৰত বিশেষ গুৰুত্ব দিছিল আৰু তাৰ বাবে পুনা, নাগপুৰ,কানপুৰ আৰু কোইম্বাটোৰত কৃষি কলেজ স্থাপন কৰিছিল ।

১৯০৬ চনত কলিকতাত বহা ২২ তম কংগ্ৰেছ অধিবেশনত ''বন্দেমাতৰম''গীতটো প্ৰথম গোৱা হৈছিল । দাদাভাই নৌৰোজী আছিল তাৰ সভাপতি । এম. এ.জিন্নাই এজন সদশ্য হিচাবে সেই অধিবেশনত যোগদান

নৌৰোজী

কৰিছিল । বৃটিছ শাসনৰ বিৰুদ্ধে আন্দোলন চলাই নিয়াৰ উদ্দেশ্যে অৰবিন্দ ঘোষে 'বন্দে মাতৰম ' নামৰ ইংৰাজী বাতৰি কাকত এখন উলিয়াইছিল ।

- কীলেৰি কুনহিকান্ননে ভাৰতৰ প্ৰথম চাৰ্কাচ কোম্পানী - 'মালবাৰ গ্ৰেন্ড চাৰ্কাচ'- প্ৰতিষ্ঠা কৰিছিল ।

- মানেক ডি শেথনাৰ্ই 'দি লাইফ অব খ্ৰাইষ্ট' চিনেমা দেখুৱাই প্ৰথম ভ্ৰাম্যমান চিনেমা আৰম্ভ কৰিছিল্ ।

পৃথিৱীৰ অন্যান্য ঠাইত



- বিজ্ঞানী আইনষ্টাইনে 'থিঅ'ৰি অব ৰিলেটিভিটি (আপেক্ষিকতাবাদ) প্ৰকাশ কৰিছিল ।



- জন ষ্টেৱাৰ্ট ব্লেকটনে প্ৰথম জীৱন্ত কাৰ্টুন ফিল্ম নিৰ্মাণ কৰিছিল ।

নৰমপন্থী বনাম চৰমপন্থী

১৯০৭ চনৰ চুৰাট অধিবেশনত কংগ্রেছ বিভাক্ত হৈছিল । কিছুমান চৰমপন্থীয়ে বৃটিছৰ

বিৰুদ্ধে কঠোৰ ব্যৱস্থা লৈ দেশৰ পৰা ইংৰাজক খেদিপঠোৱাৰ বাবে মত প্রকাশ কৰিছিল, কিন্তু নৰমপন্থীসকলে বিচাৰিছিল ভাৰতবৰ্ষ বৃটিছ সাম্রাজ্যৰ ভিতৰতে থাকক, কিন্তু সমান অধিকাৰত । বিপ্লৱীসকলে অৰবিন্দ ঘোষৰ সভাপতিত্বত সেই ঠাইতে এখন সভা পতিছিল । তিলক আৰু বিপিন চন্দ্ৰ পালেও তাত সমৰ্থন দিছিল । ড: ৰাস বিহাৰী বসু, সুৰেন্দ্ৰনাথ বেনাৰ্জী আৰু গোখলেৰ নেতৃত্বত নৰমপন্থী সকলেও বেলেগে এখন সভা পাতিছিল । ১৯১৬ চনত বিপ্লৱীসকলে আকৌ কংগ্রেছৰ মূল সুঁতিলৈ উভতি আহিছিল ।

১৯০৮ চনৰ আলিপুৰ বোমা মোকৰ্দমাত চৰকাৰে কিছুমান বিপ্লৱীৰ বিৰুদ্ধে অভিযোগ আনিছিল । সেই মোকৰ্দমাত অৰবিন্দ ঘোষক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু জেলত দিয়া হৈছিল । তেতিয়াৰ পৰাই তেওঁৰ জীৱনে গতি সলালে । তেওঁৰ মতে যুদ্ধতকৈ কৰ্মই হৈছে উত্তম, যিটো কৃতকাৰ্য্য হ'বলৈ আধ্যাত্মিক ভেটি থকা উচিত। পিছৰ বছৰ যেতিয়া তেওঁ খালাচ পালে তেওঁ ৰাজনীতি ত্যাগ কৰিলে ।

বোম্বাইত দেশৰ ভিতৰতে ডাঙৰ শ্ৰমিক ধৰ্মঘট হৈছিল । তিলকক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত প্ৰায় ১,০০০০০ শ্ৰমিকে ৬ দিন ধৰ্মঘট কৰিছিল । তেওঁলোকে পুলিচ আৰু সৈন্যবাহিনীৰ লগতো সংঘৰ্ষ কৰিছিল ।

১৯০৯ চনত ইণ্ডিয়া ৰিফৰ্ম এক্ট গৃহীত হোৱাৰ পিছতে বহুদিন অপেক্ষা কৰি থকা প্ৰশাসনিক সংস্কাৰৰ কথা ঘোষণা কৰা হৈছিল। জাতীয়তাবাদী নেতাসকল সম্পূৰ্ণ সন্তুষ্ট নহলেও এই ক্ষেত্ৰত এখোপ আগবঢ়া দেখা গৈছিল । কেন্দ্ৰ আৰু প্ৰাদেশিক চৰকাৰত ভাৰতীয়কো অন্তৰ্ভূক্ত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল । চাৰ সত্যেন্দ্ৰ প্ৰসন্ন সিংহ ভাইচৰয়ৰ এক্‌জিকিউটিভ কাউন্সিলৰ প্ৰথম ভাৰতীয় সদস্য আছিল । ৰাজা কিশোৰী লাল গোস্বামী ষ্টেট এক্‌জিকিউটিভ কাউন্সিল (বেঙ্গল) ৰ ভাৰতীয় সদস্য আছিল ।

দক্ষিণ ভাৰতৰ টুতিকোৰিনৰ ভি.ও. চিডাম্বৰম পিল্লায়ে প্ৰথম স্বদেশী জাহাজ কোম্পানী প্ৰতিষ্ঠা কৰিছিল । তেওঁ দহ টকা মূল্যৰ চেয়াৰ বিক্ৰী কৰি টকা সংগ্ৰহ কৰিছিল আৰু সাগৰত চলাবলৈ দুখন জাহাজ ভাৰা কৰিছিল । ভাৰতৰ জাহাজ শিল্পৰ এইটোৱে আছিল আৰম্ভণি ।

পৃথিবীৰ অন্যান্য ঠাইত

- লৰ্ড বডেন পাওৱেল-এ বয় স্কাউট প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰিছিল ।

- লণ্ডনত ২০০,০০০ মহিলাৰ সমাবেশ এটাত মহিলাৰ ভোটাধিকাৰৰ দাবী তোলা হৈছিল ।

হিন্দু মুছলমান একতাৰ বাবে আহবান

আলিপুৰ বোমা মোকৰ্দমাত দোষী সাব্যস্ত হোৱা দহজন ব্যক্তিক প্ৰথম বাৰৰ বাবে আন্দামানলৈ পঠোৱা হৈছিল আৰু তাৰ চেলুলাৰ জেইলত বন্দী কৰি ৰখা হৈছিল।



১৯৩৮ চনলৈ এই জেইল বন্ধ আছিল। সৰ্বমুঠ ৫০০ বন্দীক তাত ৰখা হৈছিল।

ইংলন্ডলৈ উচ্চ শিক্ষাৰ বাবে যোৱা মদনলাল ধিংৰাক ইংৰাজ বিষয়া এজনক গুলি কৰাৰ অপৰাধত মৃত্যু দন্ড দিয়া হৈছিল। দি নেশ্বনেল ইন্ডিয়ান এছোচিয়েচনে ধিংৰাৰ এই কাৰ্য্য নিন্দা কৰিছিল। এই প্ৰস্তাৱৰ বিৰুদ্ধে একমাত্ৰ মাত মাতোটা জন আছিল ভি.ডি. চাভাৰকাৰ।

১৯১০ চনত এলাহাবাদত বহা কংগ্ৰেছ অধিবেশনত পুনৰ ইংৰাজ এজনে সভাপতিত্ব কৰিছিল। তেওঁৰ নাম আছিল চাৰ উইলিয়াম ৱেডাৰ বেৰণ। দলত ইংৰাজৰ বাহিৰেও ইংলেন্ডত শিক্ষা গ্ৰহণ কৰা ভাৰতীয় সদাস্যও আছিল। সেয়েহে সদস্যসকলৰ মাজত বিভেদ দূৰ কৰিবলৈ, হিন্দু-মুছলমান আৰু নৰমপন্থী আৰু চৰমপন্থী সকলৰ মাজৰ বৈষম্য নোহোৱা কৰিবলৈ এজন ইংৰাজক সভাপতি নিৰ্বাচন কৰা হৈছিল। অধিবেশনত ভাৰতীয় সকলৰ বাবে চৰকাৰে লোৱা কল্যাণমূলক কামত সন্তুষ্টি প্ৰকাশ কৰা হৈছিল আৰু বংগ বিভাজন আইনখন বাতিল কৰাৰ বাবে দাবী জনোৱা হৈছিল।

বংগ বিভাজন আইনখন বাতিল কৰা দাবী চৰকাৰে মানি লৈছিল। ৰজা পঞ্চম জৰ্জ ১৯১১ চনত ভাৰতলৈ আহোতে তেওঁৰ সন্মানৰ বাবে পতা দিল্লী দৰবাৰত এই কথাটো ঘোষণা কৰা হৈছিল। তেওঁ দেশৰ ৰাজধানী কলিকতাৰ পৰা দিল্লীলৈ স্থানান্তৰিত কৰাৰ কথাটোও ঘোষণা



কৰিছিল।

১৯১২ চনত দুখন বেংগল পুনৰ একহৈ গ'ল আৰু ১৯৪৭ চনত পাকিস্থানৰ এটা অংশ পূৰ্ব পাকিস্থানৰ সৃষ্টি নোহোৱালৈ এক হৈয়ে আছিল। ইয়ে পিছলৈ ১৯৭২ চনত বাংলাদেশ নামে

স্বাধীন ৰাষ্ট্ৰ হৈছিল ।

ভাৰতৰ ৰাজধানী দিল্লীলৈ স্থানান্তৰিত কৰা ।

হৈছিল ৰবীন্দ্ৰনাথ ঠাকুৰে লিখা 'জন গণ মন গানটো ব্ৰাহ্মো সমাজে আয়োজন কৰা মাগধ উৎসৱত প্ৰথম বাৰৰ বাবে তেওঁ নিজে গাইছিল । (সেইটোৱে পিছত জাতীয় সঙ্গীত হৈছিল ।)

• পাৰস্যত তেলৰ সম্ভাবনা থকা দেখি এংলো-পাৰ্চিয়ান অইল কোম্পানী এটা খোলাৰ কথা ঘোষণা কৰা হৈছিল । ইয়ে ভাৰতীয়সকলৰ বাবে পাৰস্যত (এতিয়াৰ ইৰাণ) নিয়োগৰ সুবিধা মুকলি কৰি দিছিল।

পৃথিবীৰ অন্যান্য ঠাইত

• বেলজিয়ামৰ লিও বেকলেণ্ডে কৃত্ৰিম প্লাষ্টিক বা বেকেলাইট আবিষ্কাৰ কৰাৰ পিছতে প্লাষ্টিক যুগৰ সূচনা হৈছিল । এই দ্ৰব্যটো পাইৰেক্স, চেলোফোন, চেফটি গ্লাচ, পলিয়েষ্টাৰ, টেফলন আৰু নাইলনলৈ পৰিবৰ্তন কৰা হৈছিল ।

• লৰ্ড বডেন পাওৱেলৰ ভনীয়েক এগনেচে গাৰ্ল গাইড আন্দোলন গঢ়ি তুলিছিল ।

• ওপঙা প্ৰসাদ নামে জনজাত এচ.এচ. টাইটানিক যাত্ৰীবাহী বিলাসপূৰ্ণ জাহাজখন ইংলন্ডৰ চাউথাম্পটন (Southampton) ৰ পৰা নিউ ইয়ৰ্কলৈ ১৪ এপ্ৰিলৰ দিনা যাত্ৰা



কৰোতে আইচ বাৰ্গত খুন্দা লাগি ডুবি গৈছিল । ২,২২৪ জন যাত্ৰী আৰু নাবিকৰ ভিতৰত ১,৫১৩ জন ডুবি মৰিছিল ।

সশস্ত্র প্ৰতিবন্ধকতা সমৰ্থন

পঞ্জাবৰ খেতিয়ক আৰু কাৰখানাৰ শ্ৰমিকসকল ,লালা হৰদয়ালৰ নেতৃত্বত আমেৰিকাত থকা পঞ্জাৱী শ্ৰমিকসকলৰ দ্বাৰা গঠিত গদ্দাৰ পাৰ্টিৰ কাৰ্য্য কলাপত বিশেষভাবে প্ৰভাবিত হৈছিল । সেই পাৰ্টিয়ে বিশ্বাস কৰিছিল দেশ স্বাধীন কৰিবলৈ সশস্ত্ৰ প্ৰতিৰোধ ক্ষমতাই একমাত্ৰ উপায় । সৈন্য বাহিনীত থকা পঞ্জাৱী সৈনিকসকলৰ তেওঁলোকৰ ইংৰাজ অফিচাৰৰ প্ৰতি ক্ষোভ আছিল ।

১৯১৩ চনত ৰবীন্দ্ৰনাথ ঠাকুৰক 'গীতাঞ্জলী' কাব্যৰ বাবে যেতিয়া নবেল পুৰস্কাৰ দিয়া হৈছিল মানুহৰ মন গৌৰৱত উঠলি উঠিছিল ।

কমাগথা মৰুৰ ঘটনাৰ পাছত পঞ্জাৱীসকলৰ মনত বৃটিছ বিৰোধী ভাবটো বাঢ়ি গৈছিল । ১৯১৪ চনত প্ৰায় ৬০০ শিখ জাহাজেৰে কানাডালৈ গৈছিল , কিন্তু তেওঁলোকক তাত নমাৰ অনুমতি নিদিলে । চৰকাৰে তেওঁলোকক ৰাজধানীলৈ ঘূৰাই লৈ আহি আন্দোলন কৰাৰ ভয়ত কলিকতাত থাকিবলৈ নিদি পঞ্জাৱলৈ যোৱাতো বিচাৰিছিল । তাৰ বাবে গুলি চালনা কৰা হৈছিল আৰু বহুতো মানুহৰ মৃত্যু হৈছিল ; বহুতকে জেলত ৰখা হৈছিল ।

মহাযুদ্ধৰ সময়ত বৃটিছ সেনাবাহিনীত থকা ভাৰতীয় সৈনিকসকলে পশ্চিমৰ যুদ্ধক্ষেত্ৰৰ যুদ্ধত ভাগ লৈছিল । জাৰ্মান চাবমেৰিণ এমদেনে মাদ্ৰাজ পোতাশ্ৰয়ত এটা বোম পেলাইছিল ।

পৃথিৱীৰ অন্যান্য ঠাইত

- দক্ষিণ আফ্রিকাত থকা ভাৰতীয়সকলৰ ওপৰত এখন প্ৰদেশৰ পৰা অন্য এখনলৈ যোৱাৰ যি প্ৰতিবন্ধকতা আছিল তাক নমনা বাবে গান্ধীজীক প্ৰথম বাৰৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছিল। আগতে তেওঁ ২৫০০ ভাৰতীয়ক লগত লৈ নাটালৰ পৰা ট্ৰেন্সভাললৈ গৈছিল। তেওঁলোকক হাজোতত ৰাখি নাটাললৈ ঘূৰাই পঠোৱা হৈছিল। গান্ধীজীক ৯ মাহ জেলত ৰখা হৈছিল।
- ১৯১৪ চনত টাৰ-জান কমি-ক্চ হিচাবে প্ৰকাশ হব-লৈ ধৰে।



- ১৯১৪ চনৰ ২৭ জুলাইত প্ৰথম মহাযুদ্ধ আৰম্ভ হয়। ২৮ জুনত অষ্ট্ৰিয়াৰ ক্ৰাউন প্ৰিন্স আৰ্চডিউক ফাৰ্ডিনান্ড আৰু তেওঁৰ পত্নীক সৰজেভোত (Sarajevo) হত্যা কৰা হৈছিল। অষ্ট্ৰিয়াই চাৰ্বিয়াক অষ্ট্ৰিয়া-হাঙ্গেৰি বিৰোধী কাৰ্য্যকলাপ বন্ধ কৰিবলৈ সকীয়াই দিছিল। অষ্ট্ৰিয়াৰ এই সকীয়নি ২৩ জুলাইত চাৰ্বিয়াই বাতিল কৰিছিল। ২৫ জুলাইত অষ্ট্ৰিয়াই চাৰ্বিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। ৰাছিয়া, বৃটেইন, ফ্ৰান্স আৰু তেওঁলোকৰ বন্ধু দেশবোৰে মিত্ৰ শক্তি গঠন কৰিছিল। মূল শক্তিত আছিল অষ্ট্ৰিয়া-হাঙ্গেৰি আৰু জামনী আৰু পিছত ইটালী, গ্ৰীছ, ৰুমানিয়া, পৰ্টুগাল, বেলজিয়াম, নেদাৰলেন্ড্চ্ আৰু জাপানে যোগদান কৰিছিল। এই যুদ্ধখন প্ৰধানভাবে জাৰ্মানী আৰু অষ্ট্ৰিয়াৰ পশ্চিম আৰু পূৰ্ব ফালত লাগিছিল।
- উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকা দুই মহাদেশক বিভক্ত কৰা পানামা খালেৰে প্ৰথম জাহাজ পাৰ হৈ গৈছিল।
- নিউ ইয়ৰ্কৰ প্ৰথম স্কাই স্ক্ৰেপাৰ উলত্তৱাৰ্থ বিল্ডিং উৎঘাটন কৰাৰ পাছত নতুন নিৰ্মাণ কৌশলৰ জনপ্ৰিয়তা বাঢ়ে।

বিদেশৰ মাটিত এখন ভাৰত চৰকাৰ



১৯১৫ চনত গান্ধীজী ঘূৰি অহাৰ পাছত জাতীয়তাবাদী আন্দোলনৰ পৰিধি বাঢ়ি যায়। তেওঁ গোখলেৰ পথ অনুসৰণ কৰাৰ কথা ঘোষণা কৰিছিল । গান্ধীজী আৰু দক্ষিণ আফ্রিকাৰ ফ'নিক্স আশ্ৰমৰ (Phoenix Ashram) ছাত্ৰসকলে শান্তিনিকেতনত ৰবীন্দ্ৰনাথক দেখা কৰিছিল । ৰবীন্দ্ৰনাথ ঠাকুৰক নাইট উপাধি দিয়া হৈছিল ।

ৰাজা মহেন্দ্ৰ প্ৰতাপ আৰু বৰকতউল্লাই কাবুলত স্বতন্ত্ৰ ভাৰত চৰকাৰ গঢ়াৰ কথা ঘোষণা কৰিছিল ।

১৯১৬ চনত থিঅ'চফিকেল চোচাইটিৰ সভাপতি ড: এনি বেচেন্টে পুনাত হোম ৰুল আন্দোলন আৰম্ভ কৰিছিল । তেওঁৰ উদ্দেশ্য আছিল ভাৰতীয়সকলক ৰাজনৈতিক ভাবে সংগঠিত কৰা আৰু ভাৰতত হোম ৰুলৰ আৱশ্যকতাৰ বিষয়ে বৃটিছ পাৰ্লিয়ামেণ্টত কোৱা । হোম ৰুল লিগ গঠন কৰা হৈছিল। গোখলে, ড: এনি বেচেন্ট আদিৰ দৰে আশাবাদী নেতাসকলে স্বাধীনতা যুঁজৰ বাবে অইন এটা সংগঠন খোলাত অনুমোদন কৰা নাছিল । যি হওক, তিলকৰ দৰে নেতাই লিগত যোগ দিয়াত মানুহৰ মনত উৎসাহ বাঢ়ি গৈছিল ।

ডাঃ এনি বেচেন্ট

প্ৰফেচাৰ কাৰভে প্ৰথম মহিলা বিশ্ববিদ্যালয় পুণাত স্থাপন কৰিছিল (১৯৩৬ চনত ইয়াক বোম্বাইলৈ স্থানান্তৰিত কৰা হয়) আৰু মহিলাৰ বাবে প্ৰথম মেডিকেল কলেজ, লেডি হাৰ্ডিঞ্জ কলেজ, দিল্লীত স্থাপন কৰিছিল । ইয়াৰ লগে লগে নাৰী শিক্ষাৰ সম্ভাবনা বাঢ়ি গৈছিল ।

প্ৰ. কাৰ্ভ

ড: এনি বেচেন্ট, ১৯১৭ চনত কলিকতাত বহা ৩২ তম কংগ্ৰেছ

অধিশনৰ প্ৰথম মহিলা সভাপতি আছিল । ইয়াৰ দ্বাৰা তেওঁ আৰম্ভ কৰা হোম ৰুল আন্দোলনৰ প্ৰতি সমৰ্থন দিয়াতোকে সুচাইছিল ।

মন্টেগু ছেমচ্‌ফৰ্ড ৰিফৰ্মত ৰাজ্য চৰকাৰলৈ ক্ষমতা হস্তান্তৰ কৰা কথাতো অন্তৰ্ভূক্ত কৰা হৈছিল । ভাৰতৰ মাটিত গান্ধীজীক প্ৰথমবাৰ গ্ৰেপ্তাৰ কৰাত জাতীয়তাবাদী আন্দোলনৰ ওপৰত বিশেষ প্ৰভাব পৰিছিল । এইটো প্ৰকাশ হৈছিল গান্ধীজীয়ে বিহাৰৰ চম্পাৰণত সত্যাগ্ৰহ কৰাৰ সময়ত । বৃটিছ ফাৰ্মবোৰত চুক্তিত কাম কৰা শ্ৰমিক সকলেও এই আন্দোলনত যোগদান কৰিছিল ।

১৯১৮ চনৰ বিশ্ব যুদ্ধৰ পিছত বৃটিছে তুৰ্কীক ভাগ কৰিবলৈ চেষ্টা কৰা বাবে আলি ভাতৃদ্বয়, মহম্মদ আৰু সৌকত আলিয়ে বৃটিছ চৰকাৰৰ বিৰুদ্ধে খিলাফত আন্দোলন আৰম্ভ কৰিছিল । এই আন্দোলন বৃটিছ বিৰোধী হোৱা বাবে ইয়াৰ প্ৰভাব ভাৰততো পৰিছিল। দুয়ো ভাতৃয়ে ভাৰতীয় নেতাসকলৰ পৰা সন্মান অৰ্জন কৰিছিল ।

বি.পি ৱাডিৱাই প্ৰথম ট্ৰেড ইউনিয়ন মাদ্ৰাজত গঠন কৰিছিল । পিছত গান্ধীজীৰ নেতৃত্বত আহমদাবাদ টেক্সটাইল লেবাৰ ইউনিয়ন গঠন কৰা হৈছিল ।

পৃথিবীৰ অন্যান্য ঠাইত

- ১৯১৫ চনত জল আৰু স্থল উভয়তে যুদ্ধ চলি আছিল । যেতিয়া মিত্ৰ শক্তিয়ে পশ্চিম অঞ্চলত জয়লাভ কৰিছিল, ৰাছিয়া পূবৰ অঞ্চললৈ উভতি আহিছিল । জাৰ্মান ইউ বোট এখনে বৃটিছ যাত্ৰীবাহী জাহাজ লুৰ্চ্টানিয়াৰ (Lusitwnia) ওপৰত আঘাত হানিছিল আৰু জাহাজত থকা ১২৬ জন আমেৰিকানসহ ১,২০০ যাত্ৰী ডুব গৈছিল । যুদ্ধত যোগ দিয়াৰ বাবে আমেৰিকাকো চাপ দিয়া হৈছিল, কিন্তু আমেৰিকাৰ ৰাষ্ট্ৰপতি উড্ৰ উইলচনে তেওঁৰ নিৰপেক্ষ নীতি বজাই ৰাখিছিল । জামনীয়ে প্ৰথমতে কন্দুৱা গেছ অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰিছিল ।
- ১৯১৭ চনৰ অক্টোবৰ বিপ্লৱৰ ফল স্বৰূপে ৰাছিয়াত কমিউনিষ্ট চৰকাৰ গঠন হৈছিল আৰু জাৰৰ ৩০০ বছৰীয়া ৰাজত্বৰ অন্ত পৰিছিল । পৃথিবীত প্ৰথম বাৰৰ বাবে শ্ৰমিক শ্ৰেণীয়ে শাসক হৈছিল । লিয়ন ট্ৰটস্কি আৰু ভ্লাদিমিৰ লেনিনৰ নেতৃত্বত কাৰখানাৰ বনুৱা, কৃষক, সৈনিক আৰু নৌবাহিনীৰ কৰ্মীয়েও বিপ্লৱত যোগ দিছিল ।

লেনিন

চাৰকাৰৰ সৈতে অসহযোগ

১৯১৯ চনৰ জালিৱনালা হত্যাকাণ্ডৰ পিছত মানুহৰ মনত বৃটিছ বিৰোধী ভাবতো বাঢ়ি গৈছিল। ৰাওলাট আইন (যিখনক কোৱা হৈছিল ক'লা আইন) মতে ৰাজদ্ৰোহত অভি-যুক্ত ব্যক্তিক কোনো বিচাৰ নকৰাকৈ কৰ্তৃ-পক্ষই বিনা বিচাৰে গ্ৰেপ্তাৰ কৰিব পাৰে আৰু শাস্তি দিবও পাৰে । এই আইনখনৰ প্ৰতি-বাদত প্ৰায় ২৫,০০০ মানুহ মিলিত হৈছিল । সৈন্য বাহিনীয়ে অপ্ৰৰোচিত ভাবে তেওঁলোকৰ ওপৰত গুলি বৰ্ষণ কৰিছিল, ফলত ৩৮০ জন মানুহৰ মৃত্যু হৈছিল আৰু ১,২০০ জন আহত হৈছিল। সেয়েহে দেশৰ স্বাধীনতা সংগ্ৰামত জালিৱনালা বাগ এটা মাইলৰ খুটি আছিল । লিবাৰেল পাৰ্টিৰ সদস্যসকলে বৃটিছ সংসদত এই ঘটনাত দুখ প্ৰকাশ কৰিছিল । চাৰকাৰৰ এই জঘণ্য কামৰ বাবে দেশজুৰি প্ৰতিবাদ সভা হৈছিল । ইয়াৰ প্ৰতিবাদত ৰবীন্দ্ৰনাথে তেওঁক দিয়া নাইট উপাধি ঘূৰাই দিছিল ।

খিলাফত আন্দোলনে ইয়াৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলাইছিল । চৰকাৰৰ সৈতে অসহযোগৰ প্ৰস্তাৱ কৰা হৈছিল । স্বাধীনতা লাভৰ বাবে নতুন কৌশল হিচাবে ১৯২০ চনত কলিক-তাত বহা কংগ্ৰেছ অধি-বেশনত ইয়াক সমৰ্থন কৰা হৈছিল । সেই বছৰতে নাগপুৰ অধি-বেশনত স্বৰাজৰ দাবী পুনৰ উত্থাপন কৰা হয় । অসহযোগ আন্দোলনৰ নেতৃত্ব দিয়াৰ বাবে গান্ধীজীক অনুৰোধ কৰা হৈছিল ।

লালা লাজপত ৰায়ৰ সভাপতিত্বত নাগপুৰত বহা সদৌ ভাৰত কলেজ ছাত্ৰৰ সন্মিলনত ছাত্ৰসকলৰ এটা সংগঠন খোলাৰ সিদ্ধান্ত লোৱা হয় । বাটলাৰ কমিটি প্ৰতিবেদনত ৰজা থকা ৰাজ্যবোৰক স্বাধীনতা দিয়ে, ইয়াৰ পিছৰ পৰা সেই ৰাজ্যবোৰে চৰকাৰী সভাবোৰত স্বধীনভাবে যোগদান কৰিব পাৰিছিল ।

পৃথিবীৰ অন্যান্য ঠাইত

- বৃটেন,ফ্ৰান্স,আমেৰিকা, কানাডা আৰু অষ্ট্ৰেলিয়াৰ যৌথ অভিযানৰ সন্মুখত হাৰ মানি জাৰ্মানীয়ে পিচুৱাই যাবলৈ বাধ্য হৈছিল আৰু আত্মসমৰ্পন কৰি পেৰিছ চুক্তিত চহী কৰিছিল । বহুতো ঠাইত পৰাজিত হৈ ৰাছিয়াই যুদ্ধ ত্যাগ কৰাৰ লগে লগে প্ৰথম বিশ্বযুদ্ধ ক্ৰমে সমাপ্তিৰ ফালে আহিছিল ।
- বৃটেনে মহিলাসকলক ভোটাধিকাৰ দিয়ে আৰু পুৰুষৰ ভোটাধিকাৰৰ বয়স কমাই ২১ বছৰ কৰে ।
- ১৯১৮ চনৰ ২৮ জুনত ভাৰ্চাইল চুক্তিত চহীকৰাৰ লগে লগে চাৰকাৰীভাবে প্ৰথম বিশ্বযুদ্ধৰ সমাপ্তি ঘটিছিল ।
- লিগ অব নেশ্বনৰ প্ৰথমখন সভা পেৰিছত বহে । আমেৰিকাৰ ৰাষ্ট্ৰপতি উড্ৰ উইলচনে ইয়াত সভাপতিত্ব কৰিছিল ।

- ২৭ জন সদস্যক লৈ লিগ অব নেশ্বনৰ প্ৰথম চৰকাৰী সভা ১৯ নৱেম্বৰত জেনেভাত বহিছিল । সভাপতি উড্ৰ উইলচনৰ ১৪ টা মূলসূত্ৰ, ইয়াত গ্ৰহণ কৰা হৈছিল । শেষৰ সূত্ৰটোত কোৱা হৈছে আন এখন যুদ্ধ এৰাই চলিবলৈ দুখন ৰাষ্ট্ৰৰ মাজৰ বিবাদ আলোচনাৰ মাজেৰে মিমাংসা কৰিব লাগে ।

ছাত্ৰসকলেও স্বাধীনতা যুদ্ধত যোগদান কৰিব

১৯২১ চনৰ ১২ জানুৱাৰীৰ দিনটো ভাৰতৰ স্বাধীনতা যুদ্ধৰ এটা উল্লেখযোগ্য দিন । লৰ্ড কনাটে মাদ্ৰাজত প্ৰথম লেজিচলেটিভ কাউন্সিল উদ্বোধন কৰিছিল। কংগ্ৰেছৰ নৰমপন্থী সকলেহে তাত যোগদান কৰিছিল । লৰ্ড কনাটৰ আগমণত মানুহে বিক্ষোভ প্ৰদৰ্শন কৰিছিল । সেইবছৰৰে শেহৰ ফালে প্ৰিন্স অব ওৱেলচ আহোতে তেওঁ যলৈকে গৈছিল মানুহবোৰে তেওঁক ক'লা পতাকা দেখুৱাইছিল ।

কংগ্ৰেছৰ আহমদাবাদ অধিবেশনত মানুহবোৰ অতি ক্ষুদ্ধ হৈছিল । তেওঁলোকে পুলিচ থানা আক্ৰমণ কৰি ২২ জন চিপাহীক হত্যা কৰিছিল । তাৰ এসপ্তাহ পিছত বহা কংগ্ৰেছ ওৱাৰ্কিং কমিটিৰ সভাত, গান্ধীজীৰ অনুৰোধত অসহযোগ আন্দোলন স্থগিত ৰখা হৈছিল।

কংগ্ৰেছৰ মাজত বিভাজন হৈছিল, ফলস্বৰূপে চিত্তৰঞ্জন দাস আৰু মতিলাল নেহৰুৰ নেতৃত্বত স্বৰাজ পাৰ্টি গঠিত হৈছিল। গয়া অধিবেশনত তেওঁলোকে অনা প্ৰস্তাৱত কোৱা হৈছিল ভাৰতীয়সকলে

চিত্তৰঞ্জন দাস

মতিলাল নেহৰু

ৰাজগোপালাচাৰী

লেজিচলেটিভ কাউন্সিলত যোগ দিব লাগে আৰু চৰকাৰৰ লগত অসহযোগ চলাই যাব লাগে । এই প্ৰস্তাৱটো চক্ৰৱৰ্ত্তী ৰাজগোপালা চাৰীৰ দলটোৱে বিৰোধিতা কৰিছিল ।

অসহযোগ আন্দোলন চলাই যোৱাৰ বাবে সিদ্ধান্ত লোৱা হৈছিল । পঞ্জাৱৰ গুজৰানৱালাত বহা ছাত্ৰসকলৰ অধিবেশনত প্ৰস্তাৱ লোৱা হৈছিল ছাত্ৰসকলে কলেজ আৰু বিশ্ববিদ্যালয় ত্যাগ কৰি স্বাধীনতা আন্দোলনত যোগ দিব লাগে ।

১৯২২চনত গোৰখপুৰ জিলাৰ চোৰিচৌৰাত ২,০০০ কংগ্ৰেছ স্বেচ্ছাসেৱক আৰু কৃষকে বিক্ষোভ প্ৰদৰ্শন কৰিছিল । পুলিচে তেওঁলোকক খেদি পঠাবলৈ গুলি চলাওতে

- শান্তিনিকেতন বিশ্বভাৰতী বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত হৈছিল । ভাষা, ধৰ্ম, সাহিত্য, সঙ্গীত আৰু সুকুমাৰ কলা শিক্ষাৰ এইটো এটা বিশ্ববিখ্যাত কেন্দ্ৰৰূপে গঢ়ি উঠিছিল ।

(অহা মাহত ঃ ভাৰত এখন গণৰাজ্য হ'ল)

পৰোপকাৰী সমীৰ
ৰাক্ষসৰ উৎপাত
চান্দমামাই নিবেদন কৰিছে
চিত্ৰ : পাণি
সমীৰে শেৰুক লৈ কাঞ্চনপুৰ নামৰ গাঁৱৰ ওচৰৰ এখন পাহাৰ গৈ পালে । যেতিয়া তেওঁ তাত বিশ্ৰাম লৈ আছিল তেওঁ এটা গুহাৰ ওচৰত এক আচৰিত দৃশ্য দেখিলে ।
এজন মানুহে এটা গাধ আৰু এটা ছাগলী টানি লৈ আহিল । গাধৰ পিঠিত এটা বোজা আছিল । মানুহজনে সেইদুটাক গুহাৰ ভিতৰত বান্ধি থলে আৰু বাহিৰত থিয় হৈ থাকিল ।
ভিতৰত কি হৈছে তাকে জানিবলৈ সমীৰ সেই মানুহজনৰ ওচৰলৈ গ'ল ।
কি, গুহাত কোনোবা থাকে নেকি? তুমি তেওঁৰ বাবে অপেক্ষা কৰিছানেকি? গাধৰ ওপৰত কি আছে? খানা নেকি?
অ'হ... এইটোতো দৈনন্দিন ঘটনা । নাজানো, এই গাওঁ কেতিয়া এই শাপৰ পৰা মুক্ত হব ।
কি কথা? মোক কোৱা, মই কিজানি কিবা কৰিবই পাৰো ।
এইটো সহজ কাম নহয় । তুমি এই ৰাক্ষসটোক ইয়াৰ পৰা দেখিব পাৰিবানে? সি আমাক বহুদিনৰ পৰা ভয় দেখুৱাই আছে । সি বহুদিন ধৰি ইয়াতে আছে ।

সেইকাৰণে গাওঁবাসীয়ে গাওঁ এৰি অন্য ঠাইলৈ গুচি গৈছিল । এবছৰ পিছত তেওঁলোক পুনৰ আহিল । আকৌ তেওঁলোকৰ ভেৰা আৰু ছাগলীবোৰ নোহোৱা হবলৈ ধৰিলে । এদিন তান্ত্ৰিক মঙ্গলৰ সহচৰবোৰে ইয়াতে এটা প্ৰকাণ্ড ৰাক্ষস দেখিলে । মঙ্গলে গৈ তাৰ লগত কথাও কলে । ৰাক্ষসে কলে গাওঁবাসীয়ে সদায় তাৰ বাবে এটা ছাগলী আৰু বহুত খোৱা বস্তু পঠাব লাগিব । অন্যথা সি গাওঁবাসীৰ অনিষ্ট কৰিব । মঙ্গলে এখন মিটিং মাতিলে ।
ৰাক্ষসৰ অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ এটাই উপায় আছে । মই তাৰ ওচৰলৈ গৈ এটা বুজাপৰা কৰিম । সি যি খোজে আমি সদায় পঠাই দিম । তেতিয়া সি কাৰো অনিষ্ট নকৰিব ।
হাঁ, হাঁ, আমি নিশ্চয় তাৰ বাবে খোৱা বস্তু পঠাম ।

এদিন তান্ত্রিকৰ পৰিয়াল গাঁৱৰ বাহিৰলৈ গৈ আৰু উভতি নাহিল । মানুহে ভাবিলে ৰাক্ষসে সিহঁতক মাৰি পেলালে।
সি মোক বুজি পোৱা নাই তাৰ দৰে কিমান ৰাক্ষস মোৰ আঙুলিৰ থাৱত নাচে। মোক ভয় দেখুৱাইছে। মই তাক উচিত শিক্ষা দিম।
গাওঁবাসীও তান্ত্রিক আৰু সহযোগিৰ লগত গুহাৰ ভিতৰলৈ গ'ল । কিন্তু উভতি নাহিল ।
বাকী গাওঁবাসীয়ে বুজিব পাৰিলে, ৰাক্ষসেই সিহঁতক মাৰি পেলালে । ইয়াৰ পিছত তাৰ আৱাজ আহিলে এই আহাৰ সদায় তাৰ বাবে পঠাব লাগে ।
এই সকলোবোৰে বৰ ৰহস্যময় । এইটোও হব পাৰে মঙ্গল আৰু তাৰ সহচৰবোৰ গুহাৰ ভিতৰত আছে । আৰু গাওঁবাসীয়ে পঠোৱা খাদ্যবোৰ খাই আছে ।
মঙ্গল আৰু তাৰ পৰিয়ালক ৰাক্ষসে খোৱা বুলি মানুহে ভয় খাই আছে । কেতিয়াবা কোনোবাই ইয়াক দেখিছে নেকি?
নাই দেখা ! কিন্তু সেই বুজাপৰা মতে আমি সদায় তাৰ বাবে এই আহাৰ পঠাই আছো ।
সমীৰে এটা পৰিকল্পনা কৰিলে ।

সেইদিনা ৰাতি সমীৰে শেকক লৈ গুহাৰ দুৱাৰ মুখলৈ গ'ল । তেওঁ গুহাৰ ভিতৰৰ পৰা অহা শব্দ শুনিবলৈ চেষ্টা কৰিলে । তেওঁ অস্পষ্ট কথা শুনিবলৈ পালে ।
তেওঁ মনে মনে গুহাৰ ভিতৰলৈ সোমাই গ'ল আৰু কিছুমান মানুহে আহাৰ খাই থকা দেখিলে । তাৰ ভিতৰত কিছুমানক ৰাক্ষসৰ দৰে দেখা গৈছিল ।
পিছদিনা ৰাতিপুৱা ....
মই যোৱা ৰাতি গুহাৰ ভিতৰত কিছুমান মানুহ একেলগে দেখিছো। কিন্তু তাত কোনো ৰাক্ষস নাছিল ।
ব'লা আমি নিজেই চাই আহো ।
সমীৰে কোৱা মতে গাওঁবাসীয়ে গুহাৰ দুৱাৰ মুখত শুকান কাঠ ৰাখি জুই লগাই দিলে ।
যেতিয়া গুহাৰ ভিতৰলৈ ধোৱা সোমাল, মঙ্গল তাৰ পৰিয়াল আৰু সহচৰসকলৰ সৈতে বাহিৰলৈ আহিল । সিহঁতক দেখি গাওঁবাসী আচৰিত হ'ল । মঙ্গল আৰু তাৰ সহচৰসকলৰ পৰিকল্পনা অসফল হোৱাত সিহঁত তাৰপৰা কৰবালৈ গুচি গ'ল ।
ধন্যবাদ, আগন্তুক ! তুমি আমাক এক ডাঙৰ ৰাক্ষসৰ হাতৰ পৰা ৰক্ষা কৰিলা ।
এতিয়া ক'লৈ যাম শেক?
গাওঁবাসীৰ পৰা বিদায় লৈ সমীৰে কাঞ্চনপুৰৰ পৰা আগবাঢ়িল ।
অহা মাহত .. এটা নতুন কাহিনী ।

নিজৰ লাভ

এখন গাঁৱত যোগেন নামৰ এজন যুৱক আছিল। সি বৰ এলেহুৱা আছিল। তাৰ স্বভাৱৰ বাবে মানুহে তাক খুব গালি পাৰে,তথাপি সি মানুহৰ ঘৰে ঘৰে গৈ ভিক্ষা মাগে,যি অলপ খুজি মাগি পায় তাকে খাই গাঁৱৰ ওচৰতে থকা কালী মন্দিৰলৈ গৈ নিৰ্জন ঠাইত মজা মাৰি শুই থাকে।

এবাৰ সি একেবাহে দুদিন খাবলৈ পোৱা নাছিল। সি ভোকত তৎনেপাই ভৰি চোচৰাই চোচৰাই কোনোমতে কালী মন্দিৰ আহি পালে আৰু মনে মনে বিৰবিৰাই কবলৈ ধৰিলে- "এই গাঁৱত অন্নদানৰ মহিমা জনা পুন্যাত্মা আৰু কোনো নাই।"

যোগেনৰ কষ্ট দেখি কালিমাৰ দয়া উপজিল,তেওঁ তাক দেখা দি কলে-"যোগেন,তুমি এজন সুস্থ্য-সবল যুৱক,এই অৱস্থাত তুমি কিয় লোকৰ ঘৰে ঘৰে গৈ ভিক্ষা মাগা ? তুমি সদায় পৰিশ্ৰম কৰি যদি মোক এটকা দিয়া মই তোমাক দহ টকা দিম।"

এই কথা শুনি যোগেনৰ মনত খুব আনন্দ লাগিল,সি হাত যোৰ কৰি নম্ৰভাৱে কলে- "হে কালীমা,সদায় মোক পৰিশ্ৰম কৰি কাম কৰিবলৈ কিয় কয় ? আপুনি মোক সদায় দহ টকা দিম বুলি কৈছিল নহয়,তাৰ পৰাই আপুনি এটকা ৰাখি থওক,বাকী নটকা মোক দিয়ক। ইয়াৰ দ্বাৰা আপোনাৰ এটকা লাভহে হব।



সমস্যা সমাধান

এখন গাওঁত ৰাম নামৰ এজন ল'ৰা আছিল। তাৰ বয়স সাত বছৰ । সি পঢ়া-শুনা আৰু খেলা-ধুলাত খুব পাৰ্গত আছিল। সেয়েহে মাক পিতাকৰ মনত খুব আনন্দ । তাৰ নম্ৰ স্বভাৱৰ বাবে সকলোৱে তাক ভাল পায় ।

ৰামৰ ঘৰত এটা পোৱালি কুকুৰ আছিল। তাৰ নাম মুনমুন । ৰামে তাক খুব ভাল পাইছিল। ৰামে তাৰ লগত খেলা কৰিছিল,নিজ হাতে খাবলৈ দিছিল ।

ৰামৰ মাকে পুতেকক খুব ভাল পাইছিল, কিন্তু কুকুৰৰ পোৱালিটোক হলে দেখিব নোৱাৰিছিল । দুটা কথাত মাকে পুতেকৰ প্রতি অসন্তুষ্ট হৈছিল । প্রথম - সি পলমকৈ শুই উঠিছিল,দ্বিতীয়-যেতিয়াই তেতিয়াই সি পোৱালিটোৰ লগত খেলি আছিল । যিমান কি নকলেও সি নিজৰ স্বভাৱ এৰা নাছিল । মাকৰ কথাত মন কাণেই দিয়া নাছিল ।

ৰাতিপুৱাতে মাকৰ ঘৰুৱা কাম আৰম্ভ হয়। চোতালত পাণী চতিয়াই আৰু ঘৰৰ বাহিৰ ভিতৰ সকলো ঠাইতে ঝাৰু দি চাফা কৰে । খেতি পাথাৰলৈ যাবলৈ ওলোৱা পতিৰ আৱশ্যকীয় বস্তবোৰ যতাই দিয়ে । গৰুক দানা খুৱাই গাখীৰ খীৰায় । ইমানবোৰ কাম খুব ৰাতিপুৱাতে কৰিব লগা হয় । ইমান কামৰ মাজত ব্যস্ত থাকিও মাজে মাজে পুতেকক টোপনিৰ পৰা উঠিবলৈ মাতি থাকে।

উপাই নাপাই সি উঠি বহে যদিও মাক নেদেখা হলে সি আকৌ শুই পাৰে । ৰামৰ মাকে পিচ চোতালত কাম কৰি থাকিলে কুকুৰ পোৱালিটোৱে আমনি দি থাকে । সেয়েহে তেওঁ পোৱালিটোক দেখিব নোৱাৰিছিল ।

সেইদিনা স্কুলৰ পৰা আবেলি উভতি আহি পোৱালিটোৰ সৈতে খেলিবলৈ ওলাই

প্ৰতাপ ৰাঠী

গ'ল । ৰমৰ মাকে অসন্তুষ্ট হৈ পুতেকক কলে-"ৰাম,তুমি সদায় পলমকৈ উঠা বাবে স্কুললৈ যোৱাতো পলম হয় । সেয়েহে তোমাৰ শিক্ষকে তোমাৰ ওপৰত অভিযোগ কৰে । তোমাৰ কুকুৰক পোৱালিটোৰেও কামৰ সময়ত বিৰক্ত কৰি থাকে । সেয়েহে তাৰ ওপৰত মোৰ ৰাগ উঠে । তুমি তাক লৈ গৈ গাঁৱৰ বাহিৰত এৰি থৈ আহা ।

মাকৰ কথা শুনি ৰামৰ চকুপানী ওলাল। সি খুব দুখ কৰি কলে-"এই কথা নকবা মা,পোৱালিটোক মই মোৰ লগতে ৰাখিম ।"

"নহয়,এইটো হব নোৱাৰে । ৰাতিপুৱা সোনকালে উঠিবলৈ মই তোমাক মাতি থাকো,কিন্তু মোৰ কথাত তুমি কাণ নিদিয়া । এই ক্ষেত্ৰত কিয় মই তোমাৰ কথা শুনিম ? নুশুনো ।" মাকে খঙেৰে কলে ।

ৰামে কুকুৰৰ পোৱালিটোৰ ফালে চাই কান্দিবলৈ ধৰিলে । পোৱালিটোৱে তাৰ চাৰিওফালে ঘূৰিবলৈ ধৰিলে,তাৰ কোলাত উঠি মৰম কৰি সান্তনা দিয়াৰ চেষ্টা কৰিলে । ৰামে সেইদিনা ৰাতি মাকে বনোৱা আহাৰো নাখালে । পোৱালিটোৱেও একো নোখেৱাকৈ এটা চুকত শুই থাকিল ।

ৰাতিপুৱা ঘৰুৱা কাম শেষ কৰি ৰামৰ মাক তালৈ আহি তাৰ দৃশ্য দেখি আচৰিত হ'ল । ৰামে টোপনিৰ পৰা উঠি পঢ়ি আছে । সি মাকক কলে -"আজি মুনমুনে মোৰ কম্বলখন দাঁতেৰে টানি টানি মোক শুবলৈ দিয়া নাই । এইদৰে সি মোক সদায় টোপনিৰ পৰা জগাব । তেতিয়া সোনকালে স্কুললৈ যাব পাৰিম । মোক টোপনিৰ পৰা জগোৱা কামৰ পৰাও তুমি আহৰি পাবা সেয়েহে মুনমুন যদি মোৰ লগত থাকে তোমাৰ কি আপত্তি ?"

"ঠিক আছে । সূৰ্য্য উঠাৰ আগতে যদি তুমি টোপনিৰ পৰা উঠা তেতিয়াহলে মোৰ আপত্তি নাই । পোৱালিটো আমাৰ ঘৰতে ৰাখিম ।"মাকে হাঁহি কলে ।

পোহনীয়া জন্তুক মৰমেৰে পালন-কৰোতাজনৰ ব্যৱহাৰত যদি অলপো পৰিবৰ্তন হয় তেতিয়াহলে সি দুখ পায় । এই কথা ৰাম আৰু তাৰ মাকে ভালদৰে বুজি পালে।

এই সমস্যাৰ সমাধান হৈ গ'ল । এতিয়া ৰামৰ আনন্দৰ সীমা নোহোৱা হ'ল । সি মুনমুনক মৰমেৰে তাৰ লগত ৰাখিলে ।

ভোকৰ দন্ড

মন্দাৰ দেশত জয়ন্ত নামৰ এজন ৰজা আছিল । তেওঁ এজন দক্ষ শাসক আছিল । এদিন পুৰুষোত্তম নামৰ এজন মানুহে ধন ভঁৰালৰ পৰা চুৰি কৰাৰ সময়ত ধৰা পৰিল । সৈনিকে তাক ৰাজদৰবাৰত থকা ৰজাৰ ওচৰলৈ লৈ আহিল ।

পুৰুষোত্তমক ৰজা জয়ন্তই কলে,"চুৰি কৰা অপৰাধত তোমাক ধৰা হৈছে । ইয়াৰপৰা বুজা যায় তুমি এজন চোৰ । তোমাক চোৰ বুলি প্ৰমাণিত কৰিবলৈ অন্য প্ৰমাণৰ আৰু আৱশ্যক নাই । যদি তোমাৰ কিবা কব লগা আছে কোৱা ।"

শাস্তিৰ পৰা হাত সাৰিবলৈ পুৰুষোত্তমে বহুত ভাবিলে আৰু শেষত এটা সিদ্ধান্তলৈ আহিল । তেওঁ ৰজাক বিনয়েৰে কলে,"মহাৰাজ,জানি -বুজি মই চোৰ কৰা নাই । মোৰ ভোকেই এই চুৰি কৰিবলৈ মোক উচটাই দিছে আৰু প্ৰেৰণাও দিছে । যদি মোক আপুনি শাস্তি দিব বিচাৰেই তেতিয়াহলে মোৰ ভোককো দন্ড দিয়ক ৰজাই বুজি নাপালে ভোকক কেনেকৈ দন্ড দিয়া যায় । ৰজা বিমোৰত পৰা দেখি চোৰে বুজিব পাৰিলে এতিয়া তাক এৰি দিয়াতো নিশ্চিত ।

কিন্তু ৰজা জয়ন্তই ভালদৰে চিন্তা-ভাবনা কৰি আদেশ দিলে - "তাক এবছৰৰ বাবে জেলত ৰখা হওক । চোৰৰ বিবৃত্তিৰ পৰা এইটো স্পষ্ট হৈছে যে তাৰ ভোকে তাক চুৰি কৰিবলৈ উচটনি আৰু প্ৰেৰণা দিছে । অন্ততঃ তাৰ ভোককো দণ্ড দিয়াতো ন্যায়সঙ্গত আৰু সমুচিত হব । সেয়েহে এসপ্তাহ তাক ভোকত ৰখা হওক আৰু তাৰ দ্বাৰাই তাৰ ভোকক দণ্ড দিয়া হওক ।

প্ৰদীপ



৫৮ ঘটোৎকচ আৰু ভগদত্তৰ যুদ্ধ

মহাভাৰত

যুদ্ধই চৰম সীমা পাইছিল গৈ । অৰ্জুনে এতিয়ালৈকে জনা নাছিল যে তেওঁৰ পুত্ৰ ঐৰাৱন্তৰ মৃত্যু হৈছে । তেওঁ কৌৰৱ দলৰ বীৰসকলক নিধন কৰাতে ব্যস্ত আছিল । আনফালে পিতামহ ভীষ্মই পাণ্ডৱ সেনাবোৰক বধ কৰি আছিল । ভীম, ধৃষ্টদ্যুম্ন আৰু সাত্যকীয়েও নিজৰ নিজৰ বীৰত্বৰ পৰিচয় দিছিল । দ্ৰোণৰ যুদ্ধ নিপুণতাও চাবলগীয়া আছিল ।

ঐৰাৱন্তৰ মৃত্যু হোৱা দেখি ভীমৰ পুত্ৰ ঘটোৎকচৰ অতিপাত খং উঠিল । ভয়ঙ্কৰ আৰ্তনাদ কৰি হাতত এপাত শেল লৈ ৰাক্ষসসকলক লগত লৈ যুদ্ধ ভূমিৰ ফালে আগবাঢ়ি গ'ল । ঘটোৎকচৰ ভয়ানক ৰূপ দেখি কৌৰৱ সেনাসকলে বিচূৰ্ত্তি খালে । ইয়াকে দেখি দুৰ্যোধনেও ঘটোৎকচৰ সন্মুখলৈ আহি সিংহনাদ কৰি উঠিল । বংগদেশৰ ৰাজাই দহ হেজাৰ হাতী লৈ দুৰ্যোধনৰ পিছত আহি উপস্থিত হ'ল । সেই গজসেনাবোৰ দেখি ঘটোৎকচ খঙতে পাগল হৈ গ'ল । তেওঁৰ ৰাক্ষস সেনাই গজসেনাৰ ওপৰত আক্ৰমণ কৰি বধ কৰিবলৈ ধৰিলে । গজসেনাবোৰে ভয় খোৱা দেখি দুৰ্যোধনে খঙতে শৰ মাৰি ৰাক্ষস সেনাবোৰক বধ কৰিবলৈ ধৰিলে । তেতিয়া ঘটোৎকচে নিজে আহি দুৰ্যোধনৰ ওপৰত আক্ৰমণ কৰিলে ।



এই কথা শুনাৰ লগে লগে দ্ৰোণাচাৰ্য্য, সোমদত্ত, সৈন্ধৱ, কৃপাচাৰ্য্য, ভূৰিশ্ৰৱা, শল্য, বৃহদবল, অশ্বত্থামা, বিকৰ্ণ, চিত্ৰসেন, বিবিংশতি ইত্যাদি মহাৰথীসকলে বহুতো ৰথ লগতলৈ দুৰ্যোধনৰ ওচৰ পালে। তেওঁলোকে দেখিবলৈ পালে ঘটোৎকচে দুৰ্যোধনৰ ওপৰত আক্ৰমণ কৰি তেওঁক খেদি গৈ আছে। সেই বীৰসকলে ঘটোৎকচৰ লগত গৈ যুদ্ধ কৰিলে। সেই যদ্ধত ঘটোৎকচে বহুতো শত্ৰু সৈন্যক আহত কৰিলে। পাণ্ডৱ বীৰসকলে গৈ ঘটোৎকচক সহায় কৰিলে। কৌৰৱ বীৰসকলৰ ভিতৰত কিছুমানৰ কবচ কটা গ'ল, কিছুমান আহত হ'ল আৰু কিছুমান যোদ্ধাৰ সাৰথিৰ মৃত্যু হ'ল। তেতিয়া বাকী থকাবোৰো তাৰপৰা পলাই গ'ল।

ঘটোৎকচ ইয়াতে ক্ষান্ত নহ'ল। তেও পুনৰ দুৰ্যোধনক আক্ৰমণ কৰিলে। ইয়াকে দেখি কৌৰৱ বীৰসকলেও ঘটোৎকচক আক্ৰমণ কৰিলে। কিন্তু ঘটোৎতচে কোনো বিচলিত নহৈ তেওঁলোকৰ ওপৰতো সমানে আক্ৰমণ চলালে।

যুধিষ্ঠিৰে যেতিয়া এই খবৰ পালে তেতিয়া তেওঁ ভীমক ক'লে -"তোমাৰ পুত্ৰ ঘটোৎকচে অসীম সাহসেৰে যুদ্ধ কৰি আছে। ভাষ্মই পাঞ্চালসকলক নিৰ্মূল কৰিবলৈ যুদ্ধ কৰি আছে, সেয়েহে অৰ্জুনে তেওঁৰ লগত যুদ্ধ কৰিবলৈ গৈছে।" ইয়াৰ পাছত ভীমে ভাবিলে এই সময়ত অৰ্জুনক সহায় কৰাওকৈ ঘটোৎকচক সহায় কৰাহে অতি আৱশ্যক। তেওঁ দ্ৰুত গতিৰে গৈ ঘটোৎকচক ওচৰ পালে। তেওঁৰ লগত অভিমন্য, উপ পান্ডৱ, নীল, সত্যধৃতী, সৌচিত্ৰী, বসুতাস ইত্যাদি

সেই যুদ্ধত আহত হৈ ঘটোৎকচে দুৰ্যোধনক বধ কৰিবলৈ এপাত ভাৰী অস্ত্ৰ হাতত ললে। সেই সময়তে বঙ্গদেশৰ ৰজাই নিজৰ বিশাল হাতীটো লৈ দুৰ্যোধনৰ ৰথৰ সন্মুখত থিয় কৰাই দিলে। ঘটোৎকচৰ অস্ত্ৰৰ আঘাতত সেই হাতীটো মাচিত বাগৰি পৰিল। বঙ্গদেশৰ ৰাজাই হাতীৰ পৰা জাপমাৰি নামি গৈ সৈন্যবোৰৰ মাজত সোমাল গৈ। তাকে দেখি ঘটোৎকচে অট্টহাস কৰি উঠিল আৰু ভয়ঙ্কৰ গৰ্জন কৰি দুৰ্যোধনক বিৰক্ত কৰিবলৈ ধৰিলে।

ঘটোৎকচৰ গৰ্জন শুনি ভীষ্মই দ্ৰোণাচাৰ্য্যক কলে " ঘটোৎকচে দুৰ্যোধনক আক্ৰমণ কৰিছে। তেওঁক বধ কৰাতো কাৰো সম্ভৱ নহয়। তোমালোক সকলোৱে গৈ দুৰ্যোধনক ৰক্ষা কৰা।"

বীৰসকলো গ'ল । উভয় দলৰ বীৰসকলৰ মাজত তয়ামরা যুদ্ধ লাগে । সেই যুদ্ধত পাণ্ডৱসকলেই জয়লাভ কৰিছিল ।

ইয়াৰ পাছত দুৰ্যোধন ৰুষ্ট হৈ ভীমৰ ফালে খেদি গৈ আক্ৰমণ কৰিলে । যুদ্ধত ভীমে আঘাত পাই ৰথৰ পৰা পৰি যায় । সেইসময়তে ঘটোৎকচ, অভিমন্যু আদি বীৰসকলে দুৰ্যোধনক বেঢ়ি ধৰিলে । দুৰ্যোধন বিপদত পৰা দেখি কিছুমান কৌৰৱ সেনা লগত লৈ দ্ৰোণে দুৰ্যোধনক সহায় কৰিবলৈ আগবাঢ়ি আহিল । এই যুদ্ধত ঘটোৎকচে ৰাক্ষসী মায়া দেখুৱাই শত্ৰুপক্ষক আচৰিত কৰি দিলে । ঘটোৎকচৰ প্ৰহাৰ সহ্য কৰিব নোৱাৰি কৌৰৱ সেনাসকলে ছেদেলি-ভেদেলি হৈ শিৱিৰৰ ফালে ধাবিত হ'ল ।

সেই সময়তে দুৰ্যোধনে ভীষ্মৰ ওচৰলৈ গৈ কলে-"পিতামহ, পাণ্ডৱসকলে যেনেকৈ কৃষ্ণৰ ওপৰত বিশ্বাস কৰিছে, আমিও সেইদৰে আপোনাৰ ওপৰত ভৰসা কৰিয়ে যুদ্ধলৈ আগবাঢ়িছো । ঘটোৎকচ আৰু ভীমে লগলাগি মোক পৰাজয় কৰিলে । এই আপমানে মোক জ্বলাই মাৰিব লাগিছে । যিকোনো প্ৰকাৰে এই ৰাক্ষসক বধ কৰিবই লাগিব । আপুনি মোক এইখিনি উপকাৰ কৰক ।"

ইয়াৰ পিছত ভীষ্মই দুৰ্যোধনক কলে-"বাচা, তুমি যুধিষ্ঠিৰ আৰু ভীম অথবা নকুল আৰু সহদেৱৰ লগত যুদ্ধ কৰা । ৰজাই ৰজাৰ লগত যুদ্ধ কৰাতো ৰাজধৰ্ম । ৰাক্ষস ঘটোৎকচৰ লগত যুদ্ধ কৰিবলৈ আমি সকলোৱে সাজু । তেওঁৰ লগত যুদ্ধ কৰিবলৈ প্ৰথমে তুমি ভগদত্তক পঠাই দিয়া । তেওঁ ইন্দ্ৰৰ সমান ।"ভীষ্মই ভগদত্তক গৈ কলে-"তুমি বহুতো ৰাক্ষসৰ লগত যুদ্ধ কৰিছা । ঘটোৎকচৰ সন্মুখীন হবলৈ তুমিহে একমাত্ৰ যোগ্য ব্যক্তি । তুমি এতিয়াই গৈ আমি চাই থাকোতেই তেওঁক বধ কৰা ।"

ভীষ্মৰ কথা শুনি ভগদত্তই সুপ্ৰতীক নামৰ নিজৰ বিশাল হাতীটোৰ ওপৰত উঠি পাণ্ডৱ যোদ্ধাসকলৰ লগত যুদ্ধ কৰিবলৈ আগবাঢ়ি গ'ল । ভগদত্তই ভীমৰ লগত যুদ্ধ কৰিলে । সুপ্ৰতীক হাতীটো খুব বেগেৰে ভীমৰ ৰথৰ ফালে আহি থকা দেখি কেকয়, অভিমন্যু, দৰ্শণ ৰাজ ক্ষেত্ৰদেৱ, চেদি ৰাজ চিত্ৰকেতুয়ে হাতীটোৰ ওপৰত বাণ বৰ্ষণ কৰিবলৈ ধৰিলে। কন্তু সুপ্ৰতীকে পাণ্ডৱ সেনাক বধ কৰিবলৈ ধৰিলে । ইয়াকে দেখি ঘটোৎকচে ভগদত্তক আক্ৰমণ কৰিলে । ভগত্তই ক্ৰমে সকলোকে

তথাপিতো ভীমক বাধা দিব নোৱাৰিলে । লাহে লাহে আন্ধাৰ হবলৈ ধৰিলে । দুয়োপক্ষই যুদ্ধ সমাপ্ত কৰি নিজ নিজ শিবিৰলৈ ৰাওনা হ'ল ।

শিবিৰৰ ভিতৰত দুৰ্যোধন,শকুণি আৰু দুশাসনে কৰ্ণৰ লগত মন্ত্ৰণা কৰিবালৈ ধৰিলে। এই প্ৰসঙ্গতে দুৰ্যোধনে কৰ্ণক কলে-"মই বুজিব পৰা নাই,ভাস্ম,দ্ৰোণ আৰু শল্যই পান্ডৱসকলক কিয় পৰাজয় কৰিব পৰা নাই। প্ৰতি দিনে আমাৰ সৈন্য কমি যাব ধৰিছে । ভগবান আৰু পান্ডৱেও মোক পৰাজয় কৰি আছে । মইহে জানিব পৰা নাই মই পান্ডৱসকলক কেনেকৈ পৰাজিত কৰো ?"

তেতিয়া কৰ্ণই কলে-"ভীষ্মক যুদ্ধৰ পৰা বিশ্ৰাম লবলৈ দিয়ক,তেতিয়া মই আহি সকলোৰে লগত পান্ডৱসকলকো বধ কৰিম। মই ভীষ্মক নিজৰ পৰাক্ৰমৰ পৰিচয় দিম । ভীষ্মৰ পান্ডৱসকলৰ প্ৰতি মৰম আছে; সেয়েহে তেওঁ পান্ডৱসকলক কেতিয়াও বধ নকৰে আৰু নোৱাৰেও। সেই কাৰণে আপুনি ভীষ্মৰ শিবিৰলৈ গৈ কওকগৈ তেওঁ যেন যুদ্ধৰ পৰা বিশ্ৰাম লয়। আপুনি ধৰি লওক ভীষ্মই যুদ্ধৰ পৰা অৱসৰ ললেই তাৰপিচতে পান্ডৱৰ মৃত্যু হব ।"

ইয়াৰ পাছত দুৰ্যোধনে ভায়েকসকলক আৰু অন্য কেইজনমান লোকক লগত লৈ ভীষ্মৰ শিবিৰলৈ গৈ ভীষ্মক কলে - "পিতামহ, মই কব নোৱাৰো আপুনি মোক বেয়া পায়ে নে মোৰ দুৰ্ভাগ্যৰ বাবেই পান্ডৱসকলক ৰক্ষা কৰি আছে । যদি আপোনাৰ উদ্দেশ্য তেওঁলোকক ৰক্ষা

মাৰিবলৈ ধৰিলে । ভীমৰ ৰথৰ সাৰথি ৰথৰ ওপৰতে মূৰ্চা গ'ল । এই সময়তে অৰ্জুন,ভীম আৰু ঘটোৎকচৰ ওচৰলৈ আহিল । তেওঁও যুদ্ধ কৰিবলৈ ধৰিলে । ভগদত্ত নিজৰ হাতীৰ দ্বাৰা সৈন্যবোৰ গচকি মাৰি আগবাঢ়ি গৈ যুধিষ্ঠিৰৰ লগত যুদ্ধকৰিলে ।

সেই সময়তে ভীম আৰু অৰ্জুনে ঐৰাৱন্তৰ মৃত্যুৰ কথা জানিব পাৰিলে । অৰ্জুনৰ মনত খুব দুখ লাগিল । তেওঁ কৃষ্ণক ৰথখন কৌৰৱ সেনাৰ মাজলৈ লৈ যাবলৈ অনুৰোধ কৰিলে। দুয়ো দলৰ মাজত ভীষণ যুদ্ধ হ'ল । সেই যুদ্ধত ভীমে কন্ডলী,অনাধৃষ্টী, কুন্ডভেদী, বৈৰাট, দীৰ্ঘনেত্ৰ,দীৰ্ঘবাহু,সুবাহ,কনকধ্বজ নামৰ সৈন্যসকল তথা ধৃতৰাষ্ট্ৰৰ পুত্ৰসকলক ক্ৰমে বধ কৰিবলৈ ধৰিলে । ইয়াকে দেখি দ্ৰোণে ভীমৰ ওপৰত শৰ মাৰিবলৈ ধৰিলো

কৰাই তেতিয়াহলে আপুনি যুদ্ধ কৰিবলৈ এৰি যুদ্ধৰ ভাৰ কৰ্ণক অৰ্পণ কৰি দিয়ক । তেওঁৱেই পাণ্ডৱ সকলক পৰাজয় কৰিব পাৰিব । দুৰ্যোধনৰ কথাই ভীষ্মক শেলৰ দৰে বিন্ধিলে। তেওঁক দেখি এনেকুৱা লাগিল তেওঁ যেন তিনিওলোককে পুৰি ভস্ম কৰি দিব । তেতিয়া তেওঁ কলে-“হে দুৰ্যোধন, তুমি এনেকুৱা কথা কিয় কৈছা ? মোৰ চেষ্টাৰ কি ত্ৰুটি দেখিছা ? মই কিমান শত্ৰুক বধ কৰিলো ।তুমি নাজানা নেকি অৰ্জুন এজন মহান বীৰ ? গান্ধৰ্বই যেতিয়া তোমাক বন্দী কৰি লৈ গৈছিল কৰ্ণই তোমাক কি সহায় কৰিছিল ? তোমাৰ ভাতৃসকলৰ লগত তেৰোঁ নগৈছিল জানো? উত্তৰ গোগ্ৰহণৰ সময়ত অকলে অৰ্জুনে আমাক পৰাজিত কৰা নাছিল নে ? তুমি জানি বুজিয়ে এই যুদ্ধ মাতি আনিছা । তুমি নিজৰ শত্ৰুক নিজেই বধ কৰা । মইও দেখি সন্তুষ্ট হম । মোৰ কথা থাকিল,এতিয়া মই শিখণ্ডীৰ বাহিৰে বাকী সোমক আৰু পাঞ্চালসকলক বধ কৰিম অথবা মোৰেই মৃত্যু হব । কালিলৈ মই মহাযুদ্ধ কৰিবলৈ যাম, এতিয়া তুমি শিবিৰলৈ গৈ শুই থাকাগৈ।”

এই কথা শুনি দুৰ্যোধন সন্তুষ্ট হ'ল । পিছদিনা ৰাতিপুৱা সাৰ পায়ে ৰাজাসকলক দুৰ্যোধনে কলে -“আজি পিতামহ ভীষ্মই ভয়ঙ্কৰ যুদ্ধ কৰিবলৈ ওলাইছে ।”ইয়াৰ পাছত দুঃশাসনক কলে -“আজি আমাৰ জয় হোৱাৰ কথা । আমি ভীষ্মক সহায় কৰিব লাগিব । ইয়াৰ বাবে শকুণি, শল্য, কৃপাচাৰ্য, দ্ৰোণ আৰু বিবিংশতীৰ আৱশ্যক হব ।”



নৱম দিনৰ যুদ্ধ আৰম্ভ হ'ল । ভীষ্মই সৰ্বতোভদ্ৰ নামৰ বেহুত কৌৰৱ সেনাসকলক থিয় কৰালে । পাণ্ডৱসকলে ইয়াৰ বিৰুদ্ধে প্ৰতিবেহু ৰচনা কৰিলে । যুদ্ধৰ আৰম্ভণিতে অভিমন্যুই দ্বিতীয় অৰ্জুনৰ নিচিনাকৈ কৌৰৱৰ সৈন্ধৰ কৃপাচাৰ্য,দ্ৰোণ,অশ্বত্থমাৰ দৰে বীৰ সকলক ছেদেলি -ভেদেলি কৰি দিলে । তেতিয়া দুৰ্যোধনে ৰাক্ষস বীৰ অলম্বসক অভিমন্যুৰ লগত যুদ্ধ কৰিবলৈ পঠালে ।

অভিমন্যু আৰু অলম্বসৰ মাজত ঘোৰ যুদ্ধ হয় । কিন্তু অলম্বসে অভিমন্যুৰ সন্মুখত তিষ্ঠিব নোৱাৰিলে । তেওঁ মায়া যুদ্ধকৰিও সফল হব নোৱাৰিলে । শেষত পৰাজিত হৈ পলাই যায় । ইয়াৰ পিছত অভিমন্যুই কৌৰৱ সেনাসকলক বধ কৰি আগবাঢ়িবলৈ ধৰিলে।

সেই সময়তে ভীষ্ম গৈ অভিমন্যুৰ সন্মুখীন হ'ল । তেতিয়া অৰ্জুনো গৈ অভিমন্যুৰ ওচৰ পালে । ভীষ্মৰ লগত থকা যোদ্ধাসকল আৰু অৰ্জুনৰ লগত যোৱা যোদ্ধাসকলৰ লগত তুমুল যুদ্ধ লাগে ।

আনফালে ভগদত্ত আৰু শ্ৰুতায়ুয়ে গজসেনা লগত লৈ ভীমক গৈ আক্ৰমণ কৰিলে । ভীমে গদা লৈ ৰথৰ পৰা নামি গৈ হাতী আৰু গজসেনাসকলক প্ৰহাৰ কৰিবলৈ ধৰিলে । ভীমৰ গদাৰ কোব খাই গজসেনাবোৰ পলাবলৈ ধৰিলে ।

সেইদিনা ভীমে ভয়ঙ্কৰ যুদ্ধ কৰিলে । পাণ্ডৱসকলৰো বহুতো সৈন্য ৰণত পৰিলে,বহুতে পালাই গ'ল । ইমানতে সূৰ্য্য অস্ত গ'ল আৰু সেইদিনাৰ বাবে যুদ্ধ সমাপ্ত হ'ল ।

ভীষ্মৰ আজিৰ যুদ্ধ দেখি পাণ্ডৱসকল চিন্তিত হ'ল । যুধিষ্ঠিৰৰ মনতো যুদ্ধৰ প্ৰতি বিৰক্তি জন্মিল । তেওঁ কৃষ্ণক গৈ সুধিলে· এতিয়া কি কৰা যায় । কৃষ্ণই যুধিষ্ঠিৰক সান্তনা দি কলে -“তুমি চিন্তা নকৰিবা । যদি অৰ্জুনে ভীষ্মক বধ নকৰে ময়েই ভীষ্মক বধ কৰিম । যদি ভীষ্মৰ মৃত্যু হয় , তেতিয়া তোমালোকৰ জয় সুনিশ্চত । তোমালোকৰ শত্ৰু মোৰো শত্ৰু । অৰ্জুন ইচ্ছা কৰিলে ভীষ্মক বধ কৰিব পাৰে । এইটো তেওঁৰ কৰ্ত্তব্য ।”

এই কথা শুনি যুধিষ্ঠিৰে কৃষ্ণক কলে- পিতামহ ভীষ্ম আমাৰ হিতাকাঙ্ক্ষী । তেওঁ আমাৰ জয় কামনা কৰে । তেওঁ কৈছে,আমাৰ পক্ষত যুদ্ধ নকৰিলেও তেওঁ আমাৰ হিত কামনা কৰে । আমি তেওঁৰ ওচৰলৈ গৈ সুধিম, তেওঁৰ মৃত্যু কেনেকৈ হব পাৰে । হে কৃষ্ণ, এনে এজন মহাপুৰুষকে আমি বধ কৰিব বিচাৰিছো, এইটো কিমান দুখৰ কথা ।

কৃষ্ণই যুধিষ্ঠিৰৰ কথাত সন্তুষ্ট হৈ কলে,“ভীষ্মৰ দৰে মহাবীৰৰ মৃত্যু কেনেদৰে হব সেইটো অকল তেওঁহে জানে। আমি তেওঁৰ ওচৰলৈ গৈ সুধিম ।”

চান্দমামা

ভাৰত আৱিষ্কাৰ প্ৰশ্নাৱলী

এই সংখ্যাত দিয়া প্ৰশ্নৰ উত্তৰ অহা সংখ্যাত প্ৰকাশ কৰা হব । তেতিয়ালৈকে ইয়াৰ উত্তৰ নিজে উলিয়াবলৈ চেষ্টা কৰা আৰু ভাৰতৰ প্ৰচীন পৰম্পৰাৰ জ্ঞানেৰে নিজকে সমৃদ্ধ কৰা ।

1

অ. সেইজন কোন বালক আছিল, যিজনে কৃষ্ণৰ সৈতে সন্দীপানী মুনি আশ্ৰমত থাকি পঢ়া শুনা কৰিছিল আৰু কিছু বছৰ পাছত দ্বাৰকালৈ আহি কৃষ্ণক দেখা কৰিছিল?

আ. এজন দৈত্য ৰজাৰ সেইজন কোন পুত্ৰ আছিল, যিজনে নিজৰ পিতৃৰ ইচ্ছাৰ বিৰুদ্ধে বিষ্ণুক উপাসনা কৰিছিল?

ই. সেইজন অকণমানি ৰাজকুমাৰ কোন আছিল, যিজনে পিতাকৰ কোলাত উঠিবলৈ যাওতে মাহীমাকে অপমান কৰিছিল আৰু তেওঁ অৰণ্যলৈ গৈ কঠোৰ তপস্যা কৰি ঈশ্বৰক লাভ কৰিছিল?

ঈ. সেইজন ৰাজকুমাৰ কোন আছিল, যিজনৰ সাপৰ কামোৰত মৃত্যু হৈছিল আৰু তেওঁৰ মাকে তেওঁৰ শটো শ্মশানলৈ লৈ গৈ গোটেই ৰাতি কান্দি আছিল আৰু তাতেই তেওঁৰ পতিৰ সৈতে দেখা হৈছিল?

উ. পাণ্ডৱসকলৰ ভিতৰত সকলোতকৈ কম আয়ুসৰ কোন আছিল, যিজনৰ কৌৰৱৰ বেহুৰ ভিতৰত মৃত্যু হৈছিল?

2

এজন বালক কম দিন জীয়াই থাকিও সন্ত হিচাবে প্ৰসিদ্ধ আছিল । এবাৰ তেওঁ বিভিন্ন ব্যৱহাৰিক বিষয়ৰ ওপৰত এক জনসভাত ভাষণ দি আছিল । বালকে ব্যাখ্যা কৰি কৈছিল কোনো ব্যক্তিয়ে তেতিয়ালৈকে সত্যত উপনিত হব নোৱাৰে যেতিয়ালৈকে তেওঁৰ ভিতৰৰ "আণবম" (তামিল শব্দৰ অৰ্থ অহঙ্কাৰ) শেষ হৈ নাযায় ।

"আনবমক ভালদৰে বুজাই দিয়াক" এজন বৃদ্ধ ব্যক্তিয়ে ৰুক্ষভাবে চিঞৰি সেই বালকক সুধিলে । সেইজন লোকক সাধু আৰু পণ্ডিত ব্যক্তি হিচাবে জনা গৈছিল । তেওঁ বিচৰা নাছিল তেওঁৰ উপস্থিতিত মানুহবোৰে এই সৰু ল'ৰাজনৰ কথা শুনক ।

সেই বালকজনে প্ৰশ্নটো শুনিও মৌন হৈ থাকিল । কিন্তু সেই ব্যক্তিজনে আগতকৈ ৰুক্ষভাবে নিজৰ প্ৰশ্নটো আকৌ সুধিলে । তেতিয়া বালকজনে নিজৰ দৃষ্টি তেওঁৰ ওপৰত ৰাখি কোনো উত্তৰ নিদিয়াকৈ তেওঁৰ ফালে আঙুলি দেখুৱালে ।

সেই ব্যক্তিজনৰ চেহেৰা ধোঁৱাৰ দৰে হৈ গ'ল । মানুহবোৰে তেওঁক কপি থকা দেখিলে । তাৰ পিছতে তেওঁ সেই অকনমানি বালকজনৰ সন্মুখলৈ গৈ গুৰু হিচাবে মানি ললে। তেওঁ বুজিব প্যাৰিলে তেওঁ নিজেই আণবমত ডুবি আছে ।

সেই বালকজন কোন আছিল? আৰু সেই পণ্ডিতজন কোন আছিল ?



গোবিন্দৰ বক্তা

বিশালপুৰ গাঁৱত গোবিন্দ নামৰ এজন ধনী মানুহ আছিল । তেওঁ বিশাল সম্পত্তিৰ মালিক। সেয়েহে তেওঁৰ আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱসকলে তেওঁৰ গুণ বখানিছিল ।

গোবিন্দ নিজে কবি নহয়, কিন্তু তেওঁ বহুতো কাব্য তথা শাস্ত্ৰ পাঠ কৰিছে । সাধাৰণ বিষয় এটাকো অদ্ভুত কাহিনীৰ দৰেকৈ কোৱাত তেওঁ সিদ্ধহস্ত আছিল ।

এফালে অপাৰ সম্পত্তি আৰু আনফালে বাকপটুতা, দুয়োটা লগলাগি তেওঁ এজন আকৰ্ষণীয় ব্যক্তি হৈ পৰিছিল । সেই গাঁৱৰ মানুহবোৰে কৈছিল-“ কিবা যদি শুনিব বিচৰা, তেতিয়হলে গোবিন্দৰ কথা শুনিবা ।” এইটো এটা প্ৰবচনে হৈ পৰিছিল ।

কিছুদিন পাছত কেশৱ নামৰ এজন মানুহ বিশালপুৰলৈ আহে । তাৰ এটা কামৰ খুব আৱশ্যক আছিল ।

কেশৱে যিকোনো কাম কৰাৰ বাবে প্ৰস্তুত আছিল । অৱশেষত সি পদ্মনাভৰ তাত কাম পালে। তাৰো এটা কাৰণ আছে ।

পদ্মনাভৰ বয়স ৬০ বছৰ হ'ব । তেওঁৰ স্বাস্থ্যপাতিও সিমান ঠিক নাছিল । নিজৰ পুত্ৰ বোৱাৰীৰ লগত প্ৰায়ে কাজিয়া লাগিছিল । সেয়েহে এদিন পদ্মনাভে তেওঁলোকক ঘৰৰ পৰা খেদি দিলে । তেওঁৰ লগত পত্নী সীতাৰ বাহিৰে আৰু কোনো নাছিল । দুয়োৰে দেহাও সিমান ভাল নাছিল, সেয়েহে মাজে মাজে দুয়োৰে মাজত কাজিয়া-পেচালো লাগিছিল । তেওঁ-লোকৰ স্বভাৱৰ বাবে তেওঁলোকৰ ঘৰত কাম কৰা মানুহ নাথাকিছিল । তেওঁলোকৰ ঘৰত এজন কাম কৰা মানুহৰ খুবেই আৱশ্যক আছিল। সেইকাৰণে কেশৱে তাত কাম পালে ।

কেশৱৰ ব্যৱহাৰ খুব নম্ৰ আছিল । কথা বতৰা কোৱাতো খুব পটু আছিল । তেওঁৰ নিচিনাকৈ কথা কব পৰা মানুহ খুব কমেই হে পোৱা যায় । তেওঁ কথাৰদ্বাৰাই পদ্মনাভ আৰু তেওঁৰ পত্নীক মোহিত কৰিছিল । দুয়োৰে মাজত ঘনিষ্ঠতাও বাঢ়িলে । পুত্ৰ বোৱাৰী আহিও পিতা



মাতাৰ লগত থাকিবলৈ ললে ।

এই এবছৰৰ ভিতৰতে মানুহে কবলৈ ধৰিলে- "কেশৱৰ কথা শুনিবিতো কাৰো ঘৰতে কাজিয়া-পেচাল নালাগিব ।"

মানুহে দুখীয়া ভিকহু কেশৱক প্ৰশংসা কৰাতো গোবিন্দৰ ভাল নালাগিল । গোবিন্দই তাৰ খ্যাতি শুনি তাৰ প্ৰতি অসন্তুষ্ট হ'ল । তাক

কেনেকৈ অপমান কৰিব পাৰি তাৰে সুযোগত আছিল । এনে সময়তে শিৱ নামৰ এজন মানুহ তেওঁৰ ওচৰলৈ ধাৰ লবলৈ আহিল । শিৱ খুব দুখীয়া আছিল । তেওঁৰ এজনী পদ্মা নামৰ গাভৰু ছোৱালী আছিল । ভদ্ৰ নামৰ এদন ৰত্ন ব্যৱসায়ীৰ পুত্ৰ তাইৰ প্ৰেমত পৰে আৰু তাইক বিয়া কৰাব বিচাৰে । শিৱৰো এই বিয়াত সন্মত আছিল,কিন্তু ভদ্ৰৰ পিতাকে ৫,০০০ টকা যৌতুক বিচাৰে । ভদ্ৰয়ো কলে যে পিতাকৰ অনুমতি পালেহে তেওঁ ছোৱালী বিয়া কৰাব ।

উপায়হীন হৈ শিৱই গোবিন্দৰ ওচৰলৈ ধাৰ বিচাৰি আহে । এই সুযোগতে গোবিন্দই শিৱক কলে- "ইমান টকা ধাৰ ললেতো তুমি বিপদত পৰিবা । ধাৰ লোৱাৰ সমস্যাৰ কথা কেশৱে হয়তো ভালদৰে জানিব পাৰে । তাৰ ওচৰলৈ গৈ তুমি পৰামৰ্শ লোৱা ।" শিৱইও ভাবিলে তাৰ পৰামৰ্শ লোৱাই ভাল হব । ইয়াকে ভাবি শিৱ কেশৱৰ ওচৰলৈ গ'ল । শিৱৰ কথা শুনাৰ পাছত কেশৱে কলে- "ভদ্ৰই যদি সচাঁকৈয়ে পদ্মাক ভাল পায় তেতিয়াহলেতো যৌতুকৰ কথা উঠিবই নালাগে । তেওঁতো যৌতুক নোলোৱাকৈয়ে বিয়া কৰোৱা উচিত । পদ্মাৰ দৰে ধুনীয়া ছোৱালীকতো এক পইচাও যৌতুক নোলোৱাকৈ বিয়া কৰোৱ উচিত । যদি সন্মত হয় পদ্মাক ময়ে বিয়া কৰাম ।"

এই কথা ভদ্ৰৰ কাণতো পৰিল । অতি সোনকালে শিৱক লগ ধৰি তেওঁ কলে- "যৌতুকৰ ক্ষেত্ৰত মই কোনো প্ৰকাৰে পিতাক সন্মত কৰাম। যৌতুক দিয়াৰ কোনো আৱশ্যক নহব । বচ, পদ্মা আৰু মোৰ বিয়া পাতি দিয়ক ।"

ওচৰতে থিয়হৈ থকা পদ্মাই ভদ্ৰৰ কথা শুনিবলৈ পালে আৰু আগবাঢ়ি আহি কলে- "যেতিয়ালৈকে কেশৱে বিয়াৰ প্ৰস্তাৱ আগবঢ়োৱা নাছিল তেতিয়ালৈকে তুমি মনে মনে আছিলা । তুমি এইতোটো কোৱা নাই তোমাক যৌতুক নালাগে । কেশৱে মোক বিয়া কৰোৱাৰ প্ৰস্তাৱ নিদিয়া হলে তুমি পিতাৰ পৰা যৌতুক ললাহেতেন । মই কেশৱকে বিয়া কৰাম ।"

এই কথা শুনি কেশৱ চিন্তাত পৰিল । সি পদ্মাক বহুত বুজালে । ভদ্ৰয়ো চিন্তিত হৈ কলে- "ভুলতো মানুহৰে হয় । মোক ক্ষমা কৰিবা । বিয়াৰ পাছত মই তোমাক চন্দনপুৰলৈ লৈ গৈ তাৰ সুন্দৰ ঠাইবোৰ দেখুৱাব খুজিছিলো । মোক নিৰাশ নকৰিবা ।"

কেশৱেও কলে- "পদ্মা,চন্দনপুৰলৈ যাবলৈ

সকলোৱে অনুমতি নাপায় । ভদ্ৰ এজন ব্যৱসায়ী লোক,সেয়েহে অনুমতি পাব পাৰে ।" তথাপিতো পদ্মাই কেশৱক বিয়া কৰোৱাৰ কথাত হে লাগি থাকিল । অৱশেষত কেশৱ আৰু পদ্মাৰ বিয়া হৈ গ'ল ।

কেশৱৰ বুদ্ধি দেখি গোবিন্দ স্তম্ভিত হৈ গ'ল। ইয়াৰ পাছত গোবিন্দই ভাবিলে,সকলোৰে সমস্যা সমাধানৰ পৰামৰ্শ দাতা কেশৱৰ নিজৰ ঘৰতে সমস্যাৰ সৃষ্টি কৰিব লাগিব । ইয়াৰ বাবে বহুতো কষ্ট কৰি চন্দনপুৰলৈ যাবলৈ অনুমতি পত্ৰ এখন আনিলে ।

ইয়াৰ পাছত তেওঁ কেশৱৰ ঘৰলৈ গৈ কলে -"মই চন্দনপুৰলৈ যাম । তোমাৰ পত্নী মোৰ কন্যাৰ সমান । তুমি বিয়া নকৰালে ভদ্ৰই তাইক বিয়া কৰাই চন্দনপুৰলৈ লৈ গ'লহেতেন । তুমি অনুমতি দিলে মই তাইক চন্দনপুৰলৈ লৈ গৈ সেই ঠাই দেখুৱাই আনিব পাৰো ।" কেশৱে ইয়াৰ সিদ্ধান্ত পেদ্মাকে লবলৈ কলে । পদ্মাই স্পষ্ট ভাবে কলে-"মোৰ পতিয়ে মোৰ বাবে সৰ্বস্ব । যদি চন্দপুৰলৈ যাব খোজো মোৰ পতিৰ লগতহে যাম ।"

নিজৰ পৰিকল্পনাত অসফল হৈ গোবিন্দ অকলেই চন্দনপুৰলৈ গ'ল । এই ঘটনাৰ পাছত নিজৰ পত্নীক লৈ গৈ চন্দনপুৰ দেখুৱাই অনাৰ বাবে কেশৱৰ খুব ইচ্ছা হ'ল । ৰাজধানীত ৰাঘৱ নামৰ এজন ৰাজকৰ্মচাৰী আছে। তেওঁক এহেজাৰ মান টকা দিলে চন্দনপুৰলৈ যোৱাৰ আৱশ্যকীয় অনুপতি পত্ৰ আনি দিয়াৰ তেওঁৰ ক্ষমতা আছে । এবাৰ তাত গৈ উপস্থিত হব পাৰিলে পাইচা উপাৰ্জন কৰাৰ কিমান পথ খোলা আছে । কিছুদিন পত্নীৰ সৈতে আৰামে কৰা হব । কেশৱে ভাবিলে ।

কেশৱে এহেজাৰ টকা কেনেকৈ পাব পাৰি তাকে ভাবিবলৈ ধৰিলে । সি এজন মহাজনৰ পৰা এহেজাৰ টকা ধাৰে ললে । সেইদিনাই

পত্নীক লগত লৈ চন্দনপুৰলৈ যাত্ৰা কৰিলে ।

চাৰি সপ্তাহৰ পাছত গোবিন্দ চন্দনপুৰৰ পৰা উভতি আহিল । গোবিন্দ অহা শুনি বহুতে চন্দনপুৰৰ কথা শুনিবলৈ তেওঁৰ ওচৰলৈ আহিল। তেওঁ সকলোকে চন্দনপুৰৰ কথা বিৱৰি কৈ শেষত কলে, "মাটিৰ ওপৰতো যে এনে এখন নগৰ আছে এই কথা মোৰ বিশ্বাসে নহয়। উদাহৰণ স্বৰূপে তেওঁ লৈ অহা কিছুমান বস্তু দেখুৱালে ।" তেওঁ অনা বস্তবোৰৰ ভিতৰত আছিল ৰেশমী শাৰী,সুন্দৰ টুপি,চিকচিকাই থকা চেন্দেল,গান গোৱা পুতলা আৰু নানা ধৰণৰ বস্তু । "তোমালোকক আৰু বহুতো কথা কব লগা আছে,তোমালোক সদায় আহিবা ।" গোবিন্দই কলে । কিন্তু পিছদিনা গোবিন্দৰ ঘৰলৈ কোনো নগ'ল । কাৰণ,সেইদিনা কেশৱ পত্নীসহ চন্দনপুৰৰ পৰা উভতি আহিছিল । তেওঁৰ যিমান চিনাজনা মানুহ আছিল সকলোৱে

বাবে তেওঁ উপহাৰ লৈ আহিছে । ভদ্ৰক এটা পাথৰ থকা চকমকীয়া আঙঠি দিলে । তেওঁ মহাজনৰ টকা সুত সহ পৰিশোধ কৰিলে আৰু তেওঁৰ গোমস্তাক এটা কলম উপহাৰ দিলে ।

পিছদিনা কেশৱৰ পৰা উপহাৰ পোৱা লোকসকলক গোবিন্দই নিজৰ ঘৰলৈ মাতি পঠালে। তেওঁলোকে কি কি উপহাৰ পালে সুধিলে। যিজনে টুপী পাইছিল তেওঁক কলে, "ইয়ো এটা কিবা উপহাৰ নে ?তোমাৰেই কপাল বেয়া । মই তোমাৰ বাবে সোণৰ আঙঠি এটা আনিছিলো । কিন্তু কলে কি হব ? তোমালোক আতাইবে বাবে মই যি উপহাৰ কিনিছিলো সেইবোৰ এখন বস্তাত বান্ধি লৈ আহিছিলো । জাহাজৰ পৰা নমোৱাৰ সময়ত নেজানো সেই বস্তাতো কত হেৰাই থাকিল। ইমান বিচাৰিলো, কিন্তু কতো নাপালো।" সেই সময়তে কেশৱো তালৈ আহিছিল । তেওঁ বস্তাৰ কাহিনীটো শুনিলে ।

গোবিন্দই কেশৱক দেখা পাই কলে-"কি কেশৱ, মোলৈ একো নানিলা নেকি ?"

কেশৱে নিজৰ অসহায়তাৰ ভাও জুৰি কলে -"মোৰ বেগত বহুতো বস্তু হোৱাত কিছুমান আপোনাৰ সেই বস্তাটোতে দিছিলো নহয় ? তাতে আপোনাৰ বাবে এডাল মুকুতাৰ হাৰ আছিল । কিন্তু কি হব, বস্তাটোতো হেৰায়ে থাকিল ।"

কেশৱৰ কৌতুকপূৰ্ণ কথা শুনি সকলোৱে হাঁহিবলৈ ধৰিলে । সকলো গুচি যোৱাৰ পাছত গোবিন্দই কেশৱক কলে -"তুমি সকলোৰে আগত মোক ঠাট্টা কৰিলা, তুমি কি বুলি ভাবা?"

কেশৱে হাঁহি হাঁহি কলে-"আপুনি যিদিনা আহি পাইছিল সেই দিনাই বস্তাৰ কথা কোৱা হলে কোনোৱে সন্দেহ নকৰিলে হেতেন । এতিয়া আপোনাৰ বস্তাৰ কাহিনী কোনোৱে বিশ্বাস নকৰিব ।" এইবুলি কৈ কেশৱ গুচি গ'ল।

তেতিয়াৰ পৰাই চন্দনপুৰৰ পৰা উভতি অহা মানুহক যদি কেশৱে সোধে কি, মোলৈ একো নানিলা নেকি ? তেতিয়া তেওঁ কয় -"মই কি কৰিম? গোবিন্দৰ বস্তাটোত মালবোৰ দিছিলো, সেইটোতো হেৰায়ে থাকিল ।"

কোনোবা শিশুৱে যদি কিবা বস্তুৰ বাবে আমনি কৰে তাক এইবুলি নিচুকোৱা হয়, বস্তুটো গোবিন্দৰ বস্তাটোত আছে । সেইটো পালে দিম বাৰু ।

এতিয়া গোবিন্দই বুজিব পাৰিলে তেওঁ কিমান স্বাৰ্থপৰ আৰু অভিমানী । ক্ৰমে তেওঁ নিজৰ স্বভাৱ পৰিবৰ্তন কৰে আৰু সুনাম অৰ্জন কৰে । কিন্তু-"গোবিন্দৰ বস্তাৰ কথাটো অকল সেই গাঁৱতে নহয় গোটেই অঞ্চলতে প্ৰবাদ হৈ থাকিল।

Marketed by Gujarat Co-operative Milk Marketing Federation Limited, Anand 388 001. E-mail: cheese@amul.com For FREE home delivery of our products in select cities visit the Amul Cyberstore at www.amul.com

daCunha/ACS/2/2000



নাক আৰু নাকফুলি

তেতিয়া আছিল সন্ধ্যা সময় । গাঁৱৰ মানুহবোৰে গাঁৱৰ মজতে এখন ওখ মঞ্চ তৈয়াৰ কৰিলে । সেই মঞ্চত উঠি সুপ্ৰসিদ্ধ কবি আৰু ভক্ত তুলসীদাসে স্বৰচিত ৰামচৰিত মানসৰ পৰা কেইটামান পদ বৰ সুমধুৰ সুৰে গাই আছিল । মানুহবোৰে মঞ্চৰ সম্মুখতে বহি মন্ত্ৰমুগ্ধ হৈ পদ শুনি আছিল । তুলসীদাসে শ্ৰীৰাম আৰু সীতাৰ বিবাহৰ বৰ্ণনা অতি সুন্দৰকৈ কৰি আছিল ।

দুই-তিনিঘন্টা পাছতে কাব্য পাঠ কাৰ্য্য সমাপ্ত হ'ল । কিছুমান মানুহে উঠি যাবলৈ ধৰিলে, কিছুমানে তুলীসদাসৰ ওচৰলৈ আহি তেওঁৰ ভৰি চুই প্ৰণাম কৰিবলৈ ধৰিলে । তুলসীদাসে ৰাম নাম স্মৰণ কৰি সকলোকে আশীৰ্বাদ দিলে ।

তুলসীদাসে সেইদিনা সেই গাঁৱৰে এজন জমিদাৰৰ আতিথ্য গ্ৰহণ কৰিছিল । তেওঁ আহি তুলসীদাসক কবলৈ ধৰিলে - ''স্বামীজী, আপুনি গাধুই উঠি পূজা কৰিব আছেই । এইবোৰ কাম শেষ কৰিহে আপুনি ভোজন কৰিব । সেয়েহে এতিয়াই গলে ভাল হয় ।''

তুলসীদাসে সন্মতি প্ৰকাশ কৰি যাবলৈ উঠিল । ঠিক সেই সময়তে তেওঁৰ দৃষ্টি মঞ্চৰ একোণত থিয় হৈ থকা এজনী তিৰোতাৰ ওপৰত পৰিল । তেওঁ বুজিব পাৰিলে তিৰোতাজনীয়ে তেওঁক লগ পাব আহিছে, কিন্তু লাজতে আগবাঢ়ি অহা নাই । তুলসীদাসে অতি মৰমেৰে তিৰোতাজনীক সুধিলে ''তুমি মোক লগ পাবলৈ আহিছা নেকি?''

তেওঁ অতি আনন্দিত হৈ আগুৱাই আহি তুলসীদাসক আঠুকাঢ়ি প্ৰণাম কৰিলে । তুলসীদাসে তেওঁৰ মূৰত হাত থৈ আশীৰ্বাদ দিলে । তেতিয়া তেওঁৰ ওঁঠত হাঁহি বিৰিঙি উঠিল ।

তুলসীদাসে নম্ৰভাবে তিৰোতাজনীক সুধিলে, ''তুমি কিবা কব বিচৰানেকি?''

পুৰন্দৰ

তিৰোতাজনীয়ে ইফালে-সিফালে এবাৰ চাই যেতিয়া কাকো নেদেখিলে তেতিয়া তেওঁ সুধিলে - "হে মহাত্মা, মোৰ মুখমণ্ডলত কিবা অদ্ভুত কথা দেখা পাইছে নেকি?"

"কোমল শিশুৰদৰে তোমাৰ মুখখনো নিৰ্মল অদ্ভুত লাগিছে।" তুলসীদাসে কলে।

"মোৰ মুখত শোভাযুক্ত নাকফুলি এটা দেখা পাইছেনে?" যুৱতীজনীয়ে সুধিলে।

তুলসীদাসে কলে "হয় দেখিছো। সেইটো বৰ সুন্দৰ লাগিছে।

সাধাৰণ মানুহৰ মন বুজি পাবলৈ তুলসীদাসৰ অদ্ভুত শক্তি আছিল। সেয়েহে তেওঁ অতি সহজে বুজিব পাৰিলে তিৰোতাজনীয়ে কি বিচাৰিছে। সকলো মানুহেই তিৰোতাগৰাকীৰ নাকফুলিটোৰ প্ৰশংসা কৰে। তেওঁ বিচাৰিছে অন্য মানুহৰ দৰে তুলসীদাসেও তেওঁৰ নাকফুলিটোৰ প্ৰশংসা কৰক।

তিৰোতাজনীয়ে কবলৈ ধৰিলে - "সকলো লোকেই এই নাকফুলিটোৰ প্ৰশংসা কৰে। মোৰ স্বামীয়ে বহুত দাম দি এইটো মোৰ বাবে কিনিছে। মই বাধা দিয়া স্বত্বেও তেওঁ এই মূল্যবান নাকফুলিটো মোৰ বাবে কিনি লৈ আহিছে। ইয়াৰ দ্বাৰা আপুনি নিশ্চয় বুজিব পাৰিছে তেওঁ মোক কিমান ভাল পায়। এই গহনা আপোনাৰো পছন্দ হৈছে নহয় নে?"

"হে বাচা! এই নাকফুলিটো অতি সুন্দৰ। তাতে তোমাৰ সুন্দৰ মুখমণ্ডলত আৰু ধুনীয়া লাগিছে। ইয়াৰ সৌন্দৰ্য্যৰ যিমান প্ৰশংসা কৰিলেও সেয়ে যথেষ্ট নহয়। ইয়াৰ দ্বাৰা এইটো বুজা যায় তুমি তোমাৰ স্বামীক কিমান ভাল পোৱা। তোমাৰ পতি প্ৰেম দেখি মোৰ মনত আনন্দ লাগিছে। যি পতিয়ে তোমাক ইমান সুন্দৰ গহনা দিছে তাক তুমি কৃতজ্ঞতা জনাইছা। পিচে তুমি সেই ভগবানক ধন্যবাদ দিছানে, যিয়ে তোমাক ইমান ধুনীয়া নাক দিছে? কিন্তু তুমি পাহৰি নাযাবা এই সুন্দৰ সৃষ্টি ভগবানৰহে। সেয়েহে তুমি ভগবানক সদায় স্মৰণ কৰি থাকিবা। ইয়াৰ পৰা তোমাৰ কল্যাণ হব।" তুলসীদাসে তেওঁক বুজালে।

"হে মহাত্মা মই তাকেই কৰিম।" এই বুলি কৈ তেওঁ তাৰপৰা গুচি গ'ল।



ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?
সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোস্টকাৰ্ডত উত্তৰ লিখি পঠাবা।
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,
৮২, (পুৰাতন ৯২), ডিফেন্স আফিসাৰ্স কলোনী, একাতু থাঙ্গাল, চেন্নাই - ৬০০ ০৯৭



এই মাহৰ ২৫ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হব। পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব!

অভিনন্দন

দিলীপ কুমাৰ মিত্ৰ
জ-পুৰ ৰোড,
দমদম,
কলিকাতা - ৭০০ ০৫২.

প্ৰথম ফটো : ভৰিৰ লৰা লৰি
দ্বিতীয় ফটো : হাতৰ লৰা লৰি

চান্দমামাৰ বছৰেকিয়া বৰঙনি
সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

Payment in favor of CHANDAMAMA INDIA LIMETED For details address your enquires to: New 82 (old 92) Defence offerss colony, Ekkatuthangal Chennai - 600 097

MILLENNIUM OFFER

GOODIES *for* KIDDIES

Avail our
Special Gift Offer

A DASH! watch free with
3-year subscription to

CHANDAMAMA

AVAILABLE IN 12 LANGUAGES

Remit Rs. 360/- by Draft or M.O favouring
Chandamama India Limited
to:
Publication Division,
Chandamama India Limited,
82, Defence Officers' Colony,
Ekkatuthangal, Chennai 600 097.
E-mail: ***subscription@chandamama.org***

The models shown here are only indicative.

DASH!

Wow watches from Titan

Offer valid on 3-year subscriptions within India and till stocks last. Conditions apply.

CHANDAMAMA (Assamese) JANUARY 2001 Registrar of Newspapers, India RN30278/76